বৈদেহী-বিচ্ছেদ

নাট।

DISTRICT LIBRARY
(HEM BARUA COLLECTION)
TEZPUR.

"I myself commend
Unto thy guidance from this hour!
Oh! Let my weakness have an end;
Give into me, made lowly wise,
The spirit of self-sacrifice."

শ্ৰীদেৱনাথ বৰদলৈৰ দ্বাৰাই প্ৰণীত।

GOVERNMENT OF ASSAM
Call No................
DISTRICT LIBRARY.

নগাওঁ
আসাম।

ভাদ ১৩০৮।

বেচ ॥০ ডুমহা মাথোন।

PRINTED BY

SURENDRA NATH BHATTACHARJYA,

AT THE

BRITISH INDIA PRINTING WORKS,

HOWRAH.

1904.

উৎসৰ্গ ।

স্বৰ্গীয় পিতা ৰুদ্ৰৰাম বৰদলৈ দেউতাৰ চৰণত

দণ্ডৱতে নিবেদন ।

দেউতা,

সিদিনা আবেলি ফুৰিবলৈ যাওঁতে এজন বুঢ়া বামুণৰ মুখে তেওঁৰ কিছুমান দুখৰ কথা শুনি হঠাৎ আপোনাৰ গুণাৱলীলৈ মনত পৰিল। এনে পৰত আপোনালৈ মনত পৰাৰ কাৰণ এয়ে—তেওঁৰ দুখত, আসামৰ জিলাৰ বৰ চাহাবৰ নিচিনা ওখ আৰু ক্ষমতাপন্ন ৰাজ-পদত থাকি দয়াৰ আৰ্হি দেখাওঁতা স্বৰ্গীয় মহাত্মা লেফ্‌টেনেণ্ট্‌ চি, জি, এম্‌ কেনেডীৰ দৰে, দুখীয়াৰ দুখীয়াভাৱে আপুনিও যি নিৰ্ভাজ চেনেহৰ ধাৰা বোৱালেহেঁতেন, মই আপোনাত দেখি পোৱা (কাজেই ভঁজুৱা) চেনেহৰ টোপোলা মেলিবলৈ যত্ন কৰি কথমপি মাত্ৰ মান ৰক্ষা কৰিবলৈ সামৰ্থ হলোঁ।

গুৰু ব্ৰাহ্মণত আপোনাৰ নিৰ্ভাজ ভক্তি, সজ্জনলৈ অবিচলিত আদৰ, দুখীয়া দৰিদ্ৰলৈ হিয়া-ৰকা চেনেহ, ঈশ্বৰ উপাসনাৰ কাৰ্য্যত অদম্য উৎসাহ, জ্যোতিষ, আয়ুৰ্ব্বেদ, গীতা, ভাগৱত, ব্যৱস্থা, সাহিত্য, ইতিহাস আদি জ্ঞান বিজ্ঞানৰ শাস্ত্ৰবিলাকত ঐকান্তিক অনুৰাগ ; সভা, সমিতি, উৎসৱ, আড়ম্বৰত উত্তেজনাপূৰ্ণ উদ্যোগ,

বজাঘৰীয়া বিষয়ত আশাতীত দক্ষতা, কৃপণালি কৈ বা অসৎপথে ধন সঁচা বা অৰ্জ্জা কাৰ্য্যত অপটুতা, এই এটাইবিলাক আপোনাৰ স্বৰ্গীয় আত্মাৰ পোহৰ মাথোন।

যদিও আপুনি যোৱা ১৩০৬ চনৰ পুণ্যমাহ মাঘ মাহৰ ১০ দিনৰ দিন, কৃষ্ণা সপ্তমী তিথিত, পুৱা ৯ বজাৰ পৰত, অতিবা অলপ ৬৩ বছৰ বয়সৰ মূৰ পেলাই, সংসাৰ কাৰ্য্যত সমূলি অনভিজ্ঞ ভাই শ্ৰীমান্ ভৱানীক মোৰ লগত থৈ নিত্যধাম্ বা শান্তি কুঞ্জলৈ যাত্ৰা কৰিলে, আপোনাৰ ৰোগী শয্যাৰ অপূৰ্ব্ব দৃশ্য, ৰোগৰ দাৰুণ যন্ত্ৰণা অতিক্ৰম কৰি, তন্ত্ৰ ঘোষা আৰু গীতাত অনুৰাগ, মাজে মাজে মাজনিশা অতি ৰসাল ঘোষাৰ সুৰ লগাই পৰ-দিয়া মানুহক অপূৰ্ব্ব প্ৰেমত বুৰাই দিয়া, বাজলৈ উলিওৱাৰ পৰবে পৰা প্ৰাণ পয়ানৰ মুহূৰ্ত্তলৈকে দয়াময়, ব্ৰজনাথ, দেউগোপাল ইত্যাদি স্পষ্ট, সময়ে, আধফুটা মাতেৰে হৰিনাম উচ্চাৰণ, আৰু তিলকাঞ্চন বৈতৰণীৰ কাৰ্য্যত নিজ জ্ঞান আৰু শক্তিৰে হাত তুলি গৰুৰ নেজত ধৰি পুৰুহিতৰ মন্ত্ৰ পাঠত যোগ দান কৰাকে আদি কৰি কিছুমান কাৰ্য্যলৈ মনত পৰিলে অকালত পিতৃ বিয়োগৰ শোক লঘু কৰিবৰ বাট যেন কিছু মুকলি পাওঁ। দেউতা! আপুনি গৈ নিত্যধামত গোলোকবিহাৰী পৰমেশ্বৰৰ চৰণ-ছায়াঁত থাকি বিমল আনন্দ ভোগ কৰিছে আৰু আমি আপোনাৰ, আমালৈ থৈ যোৱা একো থুপি তৰাৰ নিচিনা গুণাৱলীলৈ চায়ো চলিব নোৱাৰি, দিশনিৰ্দ্দেশক তৰা চিনিব নোৱৰা সমুদ্ৰপথৰ পথিকবিলাকৰ দৰে এই অপাৰ সংসাৰ সমুদ্ৰত পৰি পথহাৰা হৈ উৱাদিহ নোহোৱাকৈ ঘূৰি ফুৰিছোঁ।

দেউতা! তাহানি আপুনি ৰোগাৱস্থাত থাকোঁতে যেনেকৈ মাজে সময়ে অতি উদাৰ ভাৱৰে "গোলোকত তোমালোকৰ ঠাই হওক" বুলি একোবাৰ আমাক আশীৰ্ব্বাদ কৰিছিল, এতিয়া সেই আশীৰ্ব্বাদ ফলিবৰ নিমিত্তে যেন আমাৰ মন ধৰ্ম্মপথলৈ নিবলৈ সেই পুণ্য স্থানৰ পৰা যত্ন কৰে। বিশেষ এই স্বাৰ্থপৰ আৰু অভিমানত ওফোন্দা জ্ঞাতি সমাজৰ সমজুৱা হৈ আপোনাৰ উপকাৰ কিবা গুণকে যে লব পাৰিম, সিও দুৰাশা মাথোন। উমনিত এৰা কণীৰ দৰে আপোনাৰ আধালেখাকৈ এৰা "আসামৰ দেৱানী কাৰ্য্য ব্যৱস্থা" পুথিখনিৰ খোলাটি লাহে লাহে ঘোলা পৰি গৈছে। আপোনাৰ "বঙ্গাল বঙ্গালনী নাটক" "ৰত্নমণি" আমাৰ একো একোটি ভাই ভনী। ভাবিছিলোঁ কেচুৱা "কুটুমকো" ডাঙৰ দীঘল কৰি লৈ শাৰী শুৱনী কৰিম, কিন্তু এই দেশত স্বাৰ্থত্যাগী শিশু চিকিৎসকৰ যেনে অভাৱ যেন দেখা গৈছে, ইয়াৰ হাটত ঔদাৰ্য্যৰূপসঞ্জীৱনী বীজ যেনে মহঙা, বহুদিনৰ অপ্ৰতিপালত খীনোৱা কুটুমৰ জকাটী আৰু কিছুকাল সুদিনৰ অপেক্ষাত বুকত বান্ধি লৈ, সময়ে, সেকি-পুতকি খেতৰ মৰকুচিয়াৰৰ মন্ত্ৰেৰ জাৰি ফুঁকি ৰাখিব লাগিবই। যদি কেতিয়াবা কোনো বিদেশী বেজৰ সুভাগমনৰ ফলে বা স্বদেশৰ দূৰৈত থকা কালত জ্ঞাতিমিত্ৰৰ বতাহে নোঁকোৰোৱা নিঃস্বাৰ্থতাৰূপ সলিলপূৰ্ণ নিৰ্ম্মল সৰোবৰ নিৰ্ম্মলতাৰে ভৰপূৰ শুদ্ধান্তঃকৰণ লাভ কৰি স্বদেশলৈ চাই চকু পানী টুকিব পৰা বেজৰ উদাৰতাৰ গুণে দেশী বেজে নিজৰ ধোৰাঁচাঙত থোৱা নিভাঁজ সঞ্জীৱনী বীজ উলিয়াব পাৰে, আৰু তাক মাৰ্জ্জিত কৰি সস্তা দৰে দেশীয় হাটত বেচিবলৈ উলিয়াব পাৰে, তেন্তে

আশা ‘কৰিব পাৰিম কুটুমে শিশু বোগৰপৰা মুক্ত হৈ জন সমাজত মুখ দেখাব পাৰিব। যি ন নহওক আপুনি আমাৰ উপকাৰার্থে কই দি যোৱা মিঠা আমাৰ পুলিৰ আপোনাৰ জহত মিঠা আম খাবলৈ পাম আশাৰে মনক উৎসাহিত কৰি উপকাৰৰ বাবে কৃতজ্ঞতাৰ চিন স্বৰূপে “বৈদেহী-বিচ্ছেদ নাটক” নামে এই সৰু পুথি খনি আপোনাৰ স্বৰ্গীয় আত্মাৰ ওচৰত দণ্ডৱতে অৰ্পণ কৰিলোঁ।। যদি এই পুথিখন আপোনাৰ এক তিল মানো আদৰৰ পাত্ৰ হব পাৰে, তেন্তে মোৰ এই জঠৰ আঙ্গুলিৰে কাপ ধৰি কলাপাতত বৰ্ণমালা লেখিবলৈ কৰা যত্ন সাৰ্থক হব।

নগাঁও আসাম।
১৩০৭ চন,
আষাঢ়

সেৱক
শ্ৰীদেৱনাথ বৰদলৈ।

PLEASE HANDLE THE BOOK CAREFULLY

বৈদেহী-বিচ্ছেদ।

নাট।

প্ৰথম অঙ্ক।

প্ৰথম গৰ্ভাঙ্ক।

দৃশ্য—নন্দন কানন।

(হাতত ফুলৰ কৰণি লৈ অপ্সৰীসকল উপবিষ্টা।)

অপ্সৰীসকলৰ গীত।

ফুল্লমনে ফুলে আজি ফুলনীৰ ফুল।
ফুলিছে গোলাপ যূতি টগৰ বকুল।
পাহি পৰিধানে কাচি,
হাঁহি হাঁহি নাচি নাচি,
ভোমোৰা মদনে আজি কৰিছে বাতুল।

১ম অঃ। তোলোঁ আমি তোলোঁ ফুল
কৰণি ভৰাই;

২য়ঃ অঃ। আমি তোলোঁ জাতি যূতি
তুমি তোলা জাঁই।

DISTRICT LIBRARY
(HEM BARUA COLLECTION)

১ম অঃ। যূতি নলওঁ জাতি নিদিওঁ
জাতি আমাৰ ধন;
২য় অঃ। আমি তুলিম টগৰ, কৰিম ৰগৰ,
জাতিত নিদিওঁ মন।
২য় অঃ। যি বুজে মোল-তুলিব ফুল,
কেতেকী গোলাপ;
৩য় অঃ। কেতেকী গোলাপত আছে,
কাঁইট্ আৰু সাপ্।

গীত গাই ২ চতুর্থ অপ্সৰীৰ প্ৰবেশ।

গীত।

ফুল কাৰ, ফুল যাৰ, ফুল তাৰ ফুল,
ফুলে যাৰ আছে হাবিলাষ,
লাগে ফুল, তুলিম ফুল,
যায় প্ৰাণ তাতো সাহ।
কাঁইট তুচ্ছ কথা,
বিষধৰো তুচ্ছ বাধা,
ফুলৰ প্ৰেমত, কত মহত
জীৱত নৈৰাশ।
১ম অঃ। (চেৰে চেৰে চাপৰি বজাই একে সুৰত সুৰ লগাই)
ঠিক্ ঠিক্ ঠিক্ সখী,
তুমি চিনা ফুল।

তুমি চিনা, তুমি চিনা,
তুমি চিনা ফুল।
গোলাপত কঁাইট দেখি,
কেতেকীত সাপ দেখি,
যি নোতোলে ফুল সখী,
সি কি বুজে মোল।

৩য় অঃ। (কন্দনা মুৱা হৈ) খোৱঁা চতুৰালী,
দিম্ গালি পাৰি।

১ম আৰু ২য় অঃ। (কেতেকী ফুলৰ পাহি গালৈ দলিয়াই ; সুৰ লগাই)
আমি কেতেকীৰ পাহিৰে

২য় অঃ। (কাপোৰৰ অঁাচলৰে চকুৰ পানী মচি)
দেখা চকুৰ পানী

১ম আৰু ২য় অঃ। (৩য় অপ্সৰীক সাবত মাৰি),
আজি ফুলনীৰ মাজতে
পাতিম ৰাণী।

৩য় অঃ। অপ্সৰী—উ—উ—উ—(ক্রন্দন্)।

১ম আৰু ২য় অঃ। (সুৰ লগাই)
শুনা কুলিয়ে মাতিছে
কুউ-উ-উ—(উকলি ধ্বনি)

৪র্থ অঃ। সখি! সৌটি কোন্?
গুন্ গুন্ গুন্ কৈ
আলসুৱা-কুমলীয়া
মুতি ফুলটীৰ,

হৃদি আসনত বহি,
ফুলটোৰে সৈতে যেন,
পাতিছে গুপুত কথা ।
৩য় অঃ । (চকুৰ পানী মচি) ।
তেওঁ এই ফুলনীৰ ৰজা
১ম অঃ । এওঁ নিষ্ঠুৰ ভোমোৰা,
নাই দয়া মায়া
সখি ! চোৱাঁ
যূতিৰ, বগলিৰ পাখি যেন,
বগা পাহি কিটি,
ৰাহু গ্ৰাসে, পূৰ্ণিমাৰ চন্দ্ৰ যেন
ইজনৰ উজ্জ্বল কাজল ৰঙে যেন,
কাঢ়ি নিলে মধুৰতা
মলিন শোকত ।
হাই সখি!
কুমলীয়া ফুলটীয়ে,
এওঁৰ এই নিষ্ঠুৰাক্ৰমণে,
কত কষ্ট ভাবিছে মনত !
৪ৰ্থ অঃ—সখি ! সেইটি নহয় ।
যূতি ফুল দেখিছা কোমল হয়,
কিন্তু, প্ৰেমফুল, এনেহে কোমল,
তুলনাত যূতি ফুল বজ্ৰৰ সদৃশ্ ।
সেই প্ৰেমফলময়,

প্ৰেমিকৰ প্ৰেম পৰশনে,
পৰশি জ্যোতিৰ এনে সুকঠিন দেহ,
অৱশ্যেই কষ্ট বোধ কৰিছে মনত।
ইচ্ছা হয় মোৰ,
লভি যেন দেৱ বৰ,
মূৰ্তিৰ পাহিটি যেন,
কৰি দিম আৰু সুকোমল।
(প্ৰস্থান)

(হাতত এচাৰি লৈ গীত গাই গাই দুটি লৰাৰ প্ৰবেশ।)

গীত।

হাবি লৈ যাবি,
ঢেঁটোৰ চিঙ্গি খাবি,
গৰুক দিবি দাবি,
ফুল চিঙ্গি ল'বি
ৰাণীক পিন্ধাবি,
কলা দুটি পাবি,
তাকেই মজা কৈ,
সাঁজত ঘৰলৈ গৈ
জুহালত বহি বহি খাবি—
ঘূৰি আহ, ঘূৰি আহ (প্ৰস্থান)।

শ্ৰীৰামচন্দ্ৰ আৰু বৈদেহীৰ প্ৰবেশ।

ৰাম—(বৈদেহীৰ হাতত ধৰি)

প্ৰিয়ে! মধুৰ হাসিনী!!
শ্ৰীৰামৰ হৃদয় ৰাজ্যৰ, ৰাই পাটেশ্বৰী!!!
আঃ—দেখা দেখা প্ৰিয়ে!
দেৱ ৰাজ্য স্বৰগত চন্দ্ৰিমাৰ হাঁহি।
মুচুকীয়া হাঁহি মাৰি,
ভনী সৱে বেৰি ধৰি,
থেই থেই নাচি নাচি,
ধেমালি কৰিছে;
কোনোটী ওচৰ চাপি,
স্নেহেৰে সাবতি ধৰি,
বৰ বাই চন্দ্ৰিমাৰ
কোলাতে বহিছে।
ফুলনীতো চোৱা প্ৰিয়ে!
গোলাপ টগৰ যূতি, জাঁই, গুটিমালী,
ফুলিছে সকলো চন্দ্ৰিমাৰ মন বুজি।
জোনাবাইৰ আদৰুৱা, বতাহ কটকী আহি,
বাইটীৰ প্ৰেমবাৰ্ত্তা, ফুলক দিছেহি;
ভনী কুলে বাৰ্ত্তা পাই,
প্ৰেমত পাগলী হৈ,
প্ৰেম, প্ৰেম ৰাও তুলি পৰিছে বাগৰি,
প্ৰেম কি অপূৰ্ব্ব বস্তু, দেখিছানে প্ৰিয়ে!

জগত্ প্ৰেমত মুগ্ধ।
ইটোৱে সিটোৱে প্ৰেম, ইপ্ৰাণে সিপ্ৰাণে
ঈশ্বৰে প্ৰানীয়ে প্ৰেম।
প্ৰেমৰ আঘ্ৰাণে,
ব্যাকুল ই ত্ৰিভুবন, প্ৰেমৰ কাৰণে।
তোমাতে আমাতে প্ৰেম, মৰমে মৰমে গঁথা,
অধৰে তোমাৰ দিছে প্ৰেমৰ বতৰা;
প্ৰেম প্ৰেম প্ৰেম দান বিজ্ঞাপণ দিছে,
প্ৰেমৰ ভিক্ষাৰী মোক অথিৰ কৰিছে.
চতুৰা ৰজনী দেৱী, সখী য়াই আহি,
কাণে কাণে কলে মোক সিপ্ৰেম কাহিনী;
উদগিল তন্দ্ৰি আজি প্ৰচণ্ড প্ৰভাৱে,
মিনতি কৰিছে প্ৰিয়ে তোমাৰ শ্ৰীৱামে,
দিয়াহে জুৰণী আজি, হৃদয়ৰ তমোমণি,
কৰা প্ৰেম্ দান প্ৰিয়ে, ৰাম প্ৰনয়িণী !

বৈদেহী—নাথ ! তযু-আজ্ঞাধীনা দাসী. তযু পদতলে,
লোটে দিবা নিশি, তযু প্ৰেমৰ কাৰণে,
কিনি দাসী বৈদেহীক, প্ৰেম ভঁড়ালিনী কৰি,
ৰাখিছে নিজেই।
নাথ ! চেনেহ প্ৰকাশি.
নিজৰ সম্পত্তি প্ৰেম, অযিণে গ্ৰহণ কৰি,
দাসীৰো অভীষ্ট যেন, সিদ্ধি কৰে হৰি।
যদি এই দাসীৰ ৰক্ষিত প্ৰেমে

সুপ্রসন্ন হৈ,
প্রশংসা পত্রেৰে নাথ, কৃপা দৰশায়,
তেহে নাথ দাসী সীতা,
আনন্দে উদগি,
তয়ু প্রেমৰাজ্যে নাথ,
হওঁ মহাৰাণী।

ৰাম—ধন্য এনে প্রেম ৰাজ্য;
যি প্রেম ৰাজ্যৰ ৰাণী,
মোৰ হৃদি-ৰাজ-ৰাণী
চন্দ্রমা বদনী,
জনক নন্দিনী।
কিন্তু প্রিয়ে?
যি ৰাজ্যৰ প্রজাবর্গ,
অসভ্য বর্ব্বৰ,
সজ্জনৰ আগমন,
নোহে সুভকৰ তাত,
সেই দৰে,
তোমাৰ অমৃত সদৃশ প্রেম ৰাশি,
আলইআথানি হব,
মোৰ প্রেম ৰাজ্য।
ৰঘুনাথ প্রিয়ে?
অনভিজ্ঞ প্রেম, নালাগে কৰিব থাৰ,
প্রেম সর্ব্বত্রে বিৰাজে,

ব্ৰহ্মাণ্ড প্ৰেমেৰে পূৰ্ণ,
তথাপিও সকলোৰে,
প্ৰেম চিনা টান।
প্ৰেমৰ বিজ্ঞান পঢ়ি,
প্ৰেমৰ চানেকী দেখি,
নুবুজিলে, প্ৰেম বুজা
সহজ নহয়।
প্ৰিয়ে! মিনতি-ৰামৰ,
নিজগুণে তুষ্ট হোৱাঁ,
সাধ্যমতে
শিকোৱাঁ ৰামকো সেই
দেৱৰ দুৰ্লভ শাস্ত্ৰ
"প্ৰেমৰ বিজ্ঞান।"
বৈদেহী।—সৰ্ব্ব গুণধৰ প্ৰভু,
ৰঘুকুল ধুৰন্ধৰ!
যাৰ গুণে মোহিত ব্ৰহ্মাণ্ডগন,
যাৰ প্ৰেমে বশীভূত ৰাক্ষস বান্দৰ,
সেই জন
প্ৰেম-শাস্ত্ৰে অনভিজ্ঞ?
ৰাম।—প্ৰিয়ে! ক্ষমা অপৰাধ,
ৰাম যথাৰ্থতে অনভিজ্ঞ।
(হঠাৎ খোজ দিয়েক মান আগবাঢ়ি গৈ থমকি মনে মনে)
উঃ! নন্দন কাননে,

প্ৰিয়া সৈতে,
কত মধুৰালাপনে,
তোষিছোঁ মনক ;
তথাপি নামানে
নিদাৰুণ মনে !
মন !
ধিক্ তোক শতবাৰ !
প্ৰিয়াৰ সুকোমল বদন নিঃসৃত
অমৃত সদৃশ বাক্যালাপে
তৃপ্ত নহ তই ?
উদ্বিগ্ন কেৱল তই
অমঙ্গল প্ৰতিক্ষাত !

(নেপথ্যে অপ্সৰীসকলৰ গীত ।)

জানকী হৃদিৰতন,
শোভিছে প্ৰমোদ বনে ;
প্ৰেমে ঢুলু ঢুলু আঁখি,
প্ৰেমময়ীৰ দৰশনে ।
শীতল সমীৰণ,
কৰিছে বিচৰণ,
নচুৱাই কুঞ্জবন,
সুকোমল পৰশনে ।

জানকী।—নাথ! কিয় খণ্ড্ কৰি,
নমতা নোবোলা কৈ,
এৰি যাব খোজে
দাসীক ই অৰণ্যত?
(ভৰিত ধৰি) যদি কিবা অপৰাধ,
জ্ঞানে বা অজ্ঞানে,
কৰিছোঁ হে জগন্নাথ!
আপোনাৰ দয়ালু-নামৰ বলে,
শুদ্ধ হিয়া-ঘটে ভৰি,
সুধাপূর্ণ বসনা আমৰ পাতে,
শান্তি কৰি মোক পবিত্রা কৰোক।
(নেপথ্যে দুর্ম্মুখ) মহাৰাজ!
ভ্রমি কাননে পর্ব্বতে নগৰে প্রান্তৰে,
দাস উপনীত অন্তঃপুৰে।
কামনা, দৰশন শ্রীচৰণ।
ৰাম।—(উদ্বিগ্ন চিত্তেৰে) দুর্ম্মুখ!
তিলেক অপেক্ষা কৰা।
হায়! কি বার্ত্তা আনিলে আজি
দুর্ম্মুখ দুর্ম্মুখে?
এয়েইনে মহাকাল?
এয়েইনে কালগ্রাস?
আজি ৰাম দেহ-তৰী,
ঘোৰ স্রোতস্বতী মাজে,

কাণ্ডাৰী বিহীন!
দৃশ্য অতি মনোহৰ।
ভাহিছে সুবৰ্ণ তৰী
নদীৰ মাজেদি।
দুফালৰ দুধাৰা শুবনী পানী,
কামিনীৰ কেশপাশ সম,
বতাহত ঢৌ খেলি খেলি,
যেন পৰিছে মুকলি হৈ,
আউলী বাউলী হৈ।
সুবৰ্ণ তৰী ফুৰিছে শেওঁতা ফালি,
ঠিক যেন ননী-হাতে সমৰ হে ফণি।
অযোধ্যাবাসী!
দৃশ্য দেখি তৃপ্ত হোৱা।
ৰাম নহয় বিৰত আজি,
উৎসৰ্গিব নিজ দেহ
এই ঘোৰ বিপদ সলিলে।
প্ৰিয়ে! ক্ষণেক কাৰণে,
দিবা নে বিদায় ৰামে?
অবিলম্বে পশিম পুনৰ এই
পৱন দুলিত ফুলবনে;
ফুল্ল প্ৰাণে পুনু
চুমিম তোমাৰ
প্ৰফুল্ল কমলে।

বৈদেহী।—নাথ! এয়েনে রকব ভাও,
বঙ্গভূমি নন্দন কাননে?
বাজ কার্য্য তুলনান্ত,
প্রিয়াটীব প্রেম;
কূপ জলাভাবে,
গে৷ খোজব জল সম।
বাম।—গৃহলক্ষ্মী, বাজলক্ষ্মী,
মোব মনে বিভিন্ন নহয়।
লক্ষ্মীব তুষ্টিব অর্থে,
মোব এই ক্ষণিক বিদায় ভিক্ষা।
(যাওতে যাওঁতে) পুনব আহিম প্রিয়ে!
মুহূর্ত্তেক বহাঁ।

(নিষ্ক্রান্ত)

বৈদেহী।—(অকলসবে ফুৰেঁাতে ফুৰেঁাতে)
এই নাথ, এই পথে,
চাওঁতে চাওঁতে,
পাপিনীব
দুখাবি চকু-লো
চকুতেই এবি
শুচি গ'ল।
কেও নাই!
জগতত পাপিনীব
দুখ বুজা কেও নাই!

পাপিনীৰ দুখাৰি চকুলো,
নাথ বিনে কোনে মচি দিব?
আগ্নেয়গিৰিৰ তেল
অগ্নিতেই লোপ পায়;
সেই দৰে,
মোৰ বেজাৰ-আগ্নেয়গিৰি
নিঃসৃত, চকুৰ পানী
পৰি এই বেজাৰ অনলে তপ্ত
হৃদয় আসনে
মাৰ যাওক,
মাৰ যাওক।

(মূৰ্চ্ছা)

অপ্সৰীসকলৰ পুনৰ প্ৰবেশ আৰু গীত।

(এজুপি গুটিমালী ফুলৰ আঙ্গুলিয়াই)

অভিমানে গুটিমালী,
কান্দি জয় পৰিছে।
নিৰ্দ্দয় ভোমোৰা,
দূৰে দূৰে ফুৰিছে।

(নেপথ্যে ৰামৰ বিলাপ)

দুৰ্ম্মুখ অ! কি বাৰ্ত্তা আনিলি আজি!
কঁপিছে হৃদয় তন্ত্ৰী সমুদয়,
নিৰ্ম্মল প্ৰণয়ে বিপদ ভাবি।

বৈদেহী।—(চেতন পাই)

কাৰ সকৰুণ মাতে,
ভেদিলে গগন ?
ক'ত মাতে ?
কেনি মাতে ?
কোন দিশে
বৰষিছে এই
করুণ ৰসৰ ধাৰা ?

(অন্তঃপুৰৰ ফালে প্ৰাস্থান।)

দ্বিতীয় অঙ্ক।

প্ৰথম গৰ্ভাঙ্ক।

দৃশ্য—ৰাজসভা।

(শ্ৰীৰামচন্দ্ৰ, বিজয়, মধুমত্ত, কশ্যপ আৰু ভদ্ৰ উপবিষ্ট।)

ভদ্ৰ।—আচৰিত! আচৰিত!! বৰ আচৰিত কথা!!!

যাৰ নামে অপবাদ দূৰ হয়,
সি জনাবে অপবাদ ?
ক্ষান্ত হোক নৰনাথ!
আপুনি ইক্ষাকু কুলৰ শ্ৰেষ্ঠ,
যাৰ বুদ্ধিবলে বৃহস্পতি নত।
প্ৰভু! সামান্য প্ৰজাৰ কথা

অমূলক ভাবি,
বাখোক দাসৰ মান।
নির্ম্মল ইক্ষাকু কুলে,
পত্নী বিসর্জ্জনৰূপ
কলঙ্ক পিশাচে,
নাপাওক জুৰণি যেন।
ৰাম—ভদ্র ! শুনিবৰে পৰা পাপী
দুৰ্ম্মুখৰ মুখে,
ধোবা খুবুনীৰ কথা,
হৃদি মোৰ শত খণ্ডে
বিদাবিছে।
কোনে জানে,
আজি ৰাম-সৰোবৰ মাজে
কত শোক-ঢৌ
উঠলিছে নিজমিছে !
কিন্তু মহা মন্ত্রী ভদ্র !
পবিত্র অযোধ্যা পুৰি,
মোৰ এই তুচ্ছ জীৱনান্তে
পবিত্র থাকিব।
সামান্য ভাৰ্য্যাৰ স্নেহে,
পুত্ৰ সম
অযোধ্যাৰ প্ৰজা সবে
নকৰিম অসন্তুষ্ট।

জানকীক নির্ব্বাসন দিম,
দেশ মই পবিত্র কৰিম,
প্রজা মনে শান্তি সিঁচি দিম,
তেহে ভদ্র,
মোৰ এই পাপৰ জোখাই
প্রায়শ্চিত্ত হব।

ভদ্র—ৰঘুনাথ!
ক্ষমিয়োক অপৰাধ
নিবেদিম শ্রীচৰণে,
আপোনাৰ মনৰ বেদনা মাত্র।
নিষ্পাপ জানকী বুলি
জগতে বখানে,
সাক্ষী তাৰ স্বৰ্গী বজা।
গাণ্ডীৱ নিঃসৃত
তীক্ষ্ণ শৰ জালে
নকঁপে হৃদয় মোৰ
জানা হবি।
প্রভুৰ অমতে
মত দিয়া বাবে,
দাৰুণ নৰ্কৰ ভয়
অতিক্রমো অৱহেলে;
কিন্তু মই নাথ,
গোহাৰিম শ্রীপদত,

নির্দ্দোষিনী
পতিপ্রানা
জানকীব বনবাসে,
ৰটিব কলঙ্ক ভৱে
তদ্রব নাথৰ,
এই ভয়ে কঁপিছে হৃদয় মোৰ!
মধুমন্ত—প্রজাৰ চকুত,
সৰ্ব্বদায়
ৰজাৰেই অপৰাধ।
এনে বিধ
চকুচৰহাৰ
যুক্তিহীন
অপ্রমাণী কথা শুনি,
সতীৰ দুৰ্গতি, নাথ,
গণ্ডোক ইবাৰ।
প্রভু! দুৰ্গতিনাশন!
কিন্তু জগতত
আপোনাৰ দুৰ্গতিনাশন নাম
কৰোক প্রচাৰ।
কশ্যপ—নিৰ্দ্দোষীক দণ্ড দিয়া
সজ্জন গৰ্হিত।
ৰাম—এটিক মাৰিলে অনেকৰ প্রাণ বয়,
এটিক দণ্ডিলে অনেকৰ মুক্তি হয়।

এনে বধ দণ্ডে জানো শাস্ত্রৰ সম্মত
তেন্তে কিয় হব ৰাম ই কাৰ্য্যে বিৰত ?
অচিৰে কলঙ্ক-ভূত দূৰীভূত হব,
অচিৰে জানকী ঘোৰ কাননে পশিব।
এই মোৰ ইচ্ছাৰূপ স্রোতস্বতী ভেটি,
নহবা সফলকাম, জানা সভাসদ !

(প্ৰস্থানোদ্যোগ)

ভদ্—(ঠিয় হৈ) ধিক্ এনে মন্ত্ৰীত্বতো ধিক্ !
যাৰ মন্ত্ৰীত্বত নিৰ্দ্দোষীয়ে দণ্ড পায় !
যাৰ মন্ত্ৰীত্বত ৰজাৰ কলঙ্ক হয় !

দ্বিতীয় গৰ্ভাঙ্ক।

দৃশ্য—শ্ৰীৰামচন্দ্ৰৰ ভিতৰ চ'ৰা।

(অকলসৰে শ্ৰীৰামচন্দ্ৰ উপবিষ্ট।)

ৰাম—(নিৰ্জ্জন ঘৰত)
উঃ! আজি মই,
কোন নো সতেৰে,
প্ৰিয়া জানকীক,
লোকাপবাদৰ ভয়ে,
নিৰ্ব্বাসন দিম্ ?
পাপী লঙ্কাপতি !

জীৱনে মৰণে তই
নকৰ কল্যান !
ধিক্ তোৰ ভুজবল,
ধিক্ ৰাজ্যভাৰ,
ধিক্ তোৰ দশানন,
সমস্ত অসাৰ তোৰ !
নিজে অধোগতি হ'লি,
পৰকো মাৰিলি,
মৰিও পৰৰ তই
অনিষ্ট সাধিলি !

বিলাপ।

মহাশোকে দিলে দৰশন ;
আঁতৰিল সুখ আশা বিষাদিত মন।
সাংসাৰিক সুখযত
নিমেষতে ভস্মীভূত,
উথলিল শোকসিন্ধু ঘোৰ গৰজন।
(চকু মকু খাই) অ, সীতা বিসৰ্জ্জন ভয়ে
কৰ্ত্তব্য পাহৰি,
সূৰ্য্যবংশ যশ নাশে
উদ্যত শ্ৰীৰাম!
লোকাপবাদৰ ভয়
বিদূৰিত হ'ল ;

PLEASE HANDLE THE BOOK CAREFULLY.

ইক্ষাকু কুলৰ মই,
কলঙ্ক আৰ্জ্জিলোঁ!

(নেপথ্যে পদশব্দ)

কাৰ পদভৰে
কঁপিছে মেদিনী!
যেন মুহুর্মুহু ভূমিকম্প!

(ভৰত, লক্ষ্মণ আৰু শত্রুঘ্নৰ প্রবেশ আৰু সাষ্টাঙ্গে ৰামক প্রণিপাত।)

প্রজাৰ হিতত যেন
মতি থাকে সৰ্ব্বদায়।
তিনিওটি ধনুর্ব্বাণ হাতে
সমৰৰ বেশে?

ভৰত—ককাই দেউ! কিঙ্কৰৰ অপৰাধ
ক্ষমিব আপোন গুণে।
দূত মুখে
নাপালোঁ সঠিক বাৰ্ত্তা,
নুবুজিলোঁ মতাৰ কাৰণ।

ৰাম—বোপা! যথার্থতে মতাৰ কাৰণ,
নহয় সমৰ অৰ্থে বীৰে বীৰে।
যুদ্ধ ইটো ভাগ্যে মনে।
শুনিলোঁ দুর্ম্মুখ মুখে,
জানকীক বধা বাবে,

নগরে প্রান্তরে
কলঙ্ক রটনা হয়
অধম রামর।
সামান্য রজকে
ঘিণিছে রামক,
দশাননে স্পর্শ করা
জানকীক রখা রাবে।
এই হেতু ইচ্ছা মোর,
বিসর্জ্জিম জানকীক,
পবিত্র ইক্ষাকু কুল
পবিত্র রাখিম।
ভরত—ককাই দেউ!
নির্ম্মল আকাশে যেনে,
মল পরশিলে,
গরজে ভীষণ রঙ্গে
বজ্রাঘাতে মল নাশ করে,
নতু ভীম পরাক্রমে,
চেপি মল দৈত্যবরে,
তার দেহস্থিত রস বাজ করে।
সেই রসে মেদিনী সজীব,
সেই দরে,
মলদ্বেষী—রঘুবংশধরে
নিরবধি নির্ম্মল দেহে

মনব বেখাটি,
প্রজার হিতব এটি
ব্যবস্থা করিছে,
তাত মোব মাতিবব হক্ নাই;
কিন্তু যদি আজ্ঞা হয়,
নিবেদিব পাবোঁ পদে
দাসব কি মত।
রাম—বোপা! মতব কাবণে মাত্র
তোমালোক আমন্ত্রিত।
ভরত—হওঁতে ভরত মই নিতান্ত অজ্ঞান,
ধর্ম্মাধর্ম্ম বুজ নাই।
তথাপিও, রঘুকুল ধুরন্ধর!
পরমাত্মারূপে এটি অতুল জ্ঞানর গুহা
বিরাজিছে প্রতি ঘটে ঘটে।
সেই পরমাত্মারূপ মন্ত্রীর সহায়ে,
ডাঠকৈ কব পাবোঁ সবাবো সমক্ষে,
মহালক্ষ্মী জানকীর সতীত্বত ভাঁজ নাই।
বিশেষত, যেগ্রোক অযোধ্যানাথ,
সাক্ষী তার অগ্নিদেব,
সাক্ষী তার পিতৃ দেব,
সাক্ষী তার চন্দ্র সূর্য্য মরুৎ আকাশ।
এতেকে হে প্রাণীর পরম বন্ধু,
দয়াল ঠাকুর,

পৰীক্ষি লক্ষীক, বিশ্ব জ্ঞান লবোঁধৰে,
তৃপ্ত হোক নিজ গুণে।

শত্ৰুঘ্ন—(ভৰতলৈ চাই) ককাই দেউ! মোৰ মনে,
প্ৰথমতে চাৰ লাগে,
কাৰ দোষে
আৰ্য্যৰ ই কোপ ভাৱ?
কাৰ দোষে
মহালক্ষ্মী জানকীৰ
অকাৰণে অপবাদ?
নোহোঁ আমি প্ৰজাভীৰু
দুৰ্ব্বল কৃশাঙ্গ,
আদেশ কৰোক,
নাগ পাশে বান্ধি, নতু
মৰ্ম্মভেদী বাণে হানি
বিদ্ৰোহীৰ শেষ কৰোঁ।

ৰাম—কাৰ দণ্ড?
দণ্ড হব অযোধ্যাবাসীৰ!
ছিঃ! ধিক এনে বাহুবল!
প্ৰজাৰ শান্তিৰ অৰ্থে,
উৎসৰ্গিত প্ৰাণ মোৰ,
নাজানা নে?
মোৰ প্ৰায়শ্চিত্ত হেতু,
প্ৰজাই কলঙ্ক বটে,

সি প্ৰজাক দণ্ড দিবা তুমি !
জানানে শত্ৰুঘ্ন!
প্ৰজাৰ মঙ্গল হেতু,
গাণ্ডীৱ শোভিব হাতে
তোমাৰো বিৰুদ্ধে।
প্ৰতিজ্ঞা ৰামৰ, আজি
বিসৰ্জ্জিম জানকীক।
যদি কোনো জনে
ই কাৰ্য্যত বিঘিনি ঘটাব খোজে,
সি জনেই ৰাজদ্ৰোহী।
লক্ষ্মণ! কালিলৈ পুৱা,
থবা গৈ জানকীক
তমসা নদীৰ তীৰে,
বাল্মীকিৰ আশ্ৰমত।
যথাৰ্থতে জানকীৰ
ইচ্ছাও আছিল,
এবাৰ চাবগৈ সেই,
মহা মুনি বাল্মীকিৰ,
পৱিত্ৰ আশ্ৰম।
ইচ্ছা ফলৱতী হ'ল;
শ্ৰীৰামৰ সুখতৰা,
ঢাকিলে ডাৱৰে।
যাওঁ, যাওঁ মই; (প্ৰস্থানোদ্যোম)

কিন্তু শান্তি ক'ত?
আজি মোৰ যাবলৈ ঠাই নাই।
যাওঁ নতু
জানকীৰ কাষলৈ;
এবাৰ স্নেহভৰা মুখে
কথা দুটি কৈ,
হেপাহ পলাওঁ।
ঘোৰ প্ৰতাৰণা!
ঘোৰ প্ৰতাৰণা!!
মোৰ চেনেহৰা মাত পাই,
কত স্নেহ-ৰস ঢালি দিব তেওঁ।
লেন ধৰি কত কথা ক'ব।
আকৌ মোৰ হৃদয় ৰাজ্যৰ ৰাণী হব।
মিচিকীয়া হাঁহিটি মাৰিব,
থুতৰিত ধৰি সাদৰ লগাব।
কাক?
ঘোৰ প্ৰতাৰক শ্ৰীৰামচন্দ্ৰক।
হায়!
বনৰীয়া আজলী হৰিণীটিয়ে
কি বুজে ব্যাধৰ কেনে
শিলেৰে গঠিত হিয়া!
দুৰাচাৰ দুৰাচাৰ ৰাম!
পৰিহৰ প্ৰতাৰণা।

আজি ৰাতি,
বিদেহ দুহিতা
থাকক অকলসৰে।
নসহে পৰাণে !
নসহে পৰাণে !!
প্রিয়াটিয়ে
ত্যজিব পৰাণ,
নেদেখিলে
প্রতাৰক ৰামে।
যাওঁ, যাওঁ অকলেই।
এন্ধাৰে এন্ধাৰে যাওঁ।
ইস্থানত শান্তি নাই, শান্তি নাই !

(নিষ্ক্রমণ)

ভৰত—যাওঁ, মযো যাওঁ।
যি পোনেদি,
হিমাচল বক্ষ ভেদি,
নিজৰা জলৰ ধাৰা,
ভীমাকাৰ শোক-ঢৌ তুলি,
বই গল তীব্ৰ বেগে,
সেই পোনে যাওঁ।

(নিষ্ক্রান্ত)

শত্রুঘ্ন—অশান্তি !
ঘোৰ অশান্তি !!

অযোধ্যাৰ ৰাজ অন্তঃপুৰে,
কোনে আজি লগালে অগনি ?
ধন জন ভস্মীভূত প্ৰায়।

লক্ষ্মণ—বিলম্বৰ নহয় সময়।
সকলোটি যাওঁ,
চাওঁ গৈ
আৰ্য্যৰ বিশ্ৰাম স্থান।
যদি আৱশ্যক হয়,
সি জনৰ অনুগামী হৈ,
সকলোৱে, লভিম বিশ্ৰাম।
ভয় নাই,
হওক সিটো
অনন্ত বিশ্ৰাম।
(শত্ৰুঘ্ন আৰু লক্ষ্মণৰ নিষ্ক্ৰমণ)।

তৃতীয় অঙ্ক।

প্ৰথম গৰ্ভাঙ্ক।

দৃশ্য—গঙ্গাৰ পাৰৰ হাবি।

লক্ষ্মণ আৰু জানকীৰ উপবেশন।

লক্ষ্মণ—বৌদেউ! উপস্থিত কাৰ্য্যসূত্ৰত অযোধ্যানাথে মোক জগতৰ নিন্দাৰ পাত্ৰ কৰিলে। নিষ্ঠুৰ কাৰ্য্যত নিযুক্ত হোৱাতকৈ মৃত্যুৱেই মোৰ পক্ষে অসংখ্য গুণে সুখকৰ আছিল।

বৈদেহী—বোপা! আজি তুমি ইমান অস্থিৰ হৈছা কিয় ? মোৰ শিৰৰ মুকুট অযোধ্যানাথৰেঁ কিবা অমঙ্গলৰ চিন পাইছা নে কি? নতুবা মোক তপোবন দেখাবলৈ আনি ইমান শোকাকুল হ'বৰ কাৰণ কি ? মোৰে শপত, শীঘ্ৰে ব্যাকুল হোৱাৰ কাৰণ মোৰ আগত প্ৰকাশ কৰা ?

লক্ষ্মণ—বৌদেউ ! মই মহাপাতকী। নিজৰ চকুৰ আগত যাৰ বিশুদ্ধি সপ্ৰমাণ হৈছে, যাৰ সতীত্বৰ তেজে মহা তেজস্বী হুতাশনকো পৰাস্ত কৰিলে, আজি লোকাপবাদ-ভীক মহাৰাজৰ আদেশত সেই মহাসতীক বিবিধ হিংস্ৰজন্তু সমাকীৰ্ণ অৰণ্যত বনবাসিনী কৰি ....(ক্ৰন্দন)।

বিলাপ।

হায়! জানকী বনবাসিনী!
অযোধ্যাৰ ৰাজৰাণী, ঘোৰবনে ভীক্ষাৰিণী ॥
দেখা দেখা তৰু লতা, ৰাক্ষস বনদেৱতা,
সকলোৱে ৰক্ষা কৰা, অযোধ্যাৰ মহাৰাণী ॥
ৰঘুকুল ধুৰন্ধৰ, প্ৰজা বন্ধু নিৰন্তৰ,
সেই হেতু বন মাজে জনক নন্দিনী ॥
ৰাজাজ্ঞা পালন কৰোঁ, (মা) চৰণ দুখানি ধৰোঁ,
লক্ষ্মণৰ যত দোষ ক্ষমিবা জননী ॥

(ঠিয়হৈ) বিধাতা!
পৰম পবিত্ৰা
জনক নন্দিনী,

পতি প্ৰাণা,
সতীৰ আদৰ্শৰূপা,
অতি দয়াবতী।
নিষ্কলঙ্ক
ইক্ষ্বাকু কুলৰ
কলঙ্ক মোচন হেতু ৰামে
বামাঙ্গ বৰ্জ্জন কৰি
সাধিলে প্ৰজাৰ হিত।
হে সূৰ্য্যদেব!
গভীৰ অৰণ্য মাজে,
পঞ্চ মাস গৰ্ভবতী
সীতাৰ ৰক্ষাৰ ভাৰ
অৰ্পিলোঁ তোমাক।

হে বনদেবী!
অযোধ্যাৰ ৰাজৰাণী
সখীয়া তোমাৰ,
লক্ষ্মীৰূপা জানকীক
ৰাখিবা কুশলে।

হে বায়ুদেব!
পতিৰ বিৰহ শোকে
অধীৰা সীতাক তুমি
অনুগ্ৰহ প্ৰদৰ্শাবা
মলয় ব্যজনে।

হে স্বৰ্গীয় দেৱতাসকল !
তোমাসাৰ মৰমৰ
জানকী সতীক যেন
ৰক্ষা কৰা সকলোৱে
ঘোৰ বন মাজে।
হে মাংসাশী বনচৰসকল !
শ্ৰীৰামৰ মুখ চাই,
ৰিপু সব হৰুৱাই;
প্ৰিয়ব্যৱহাৰ যেন
কৰিবা সীতাত।
বৌদেউ।
সমগ্ৰ জগৎখন
অদৃষ্টৰ বশ।
যেতিয়া যি হব,
তাক কোনে আঁতৰাব পাৰে ?
ৰাজ প্ৰাসাদত তুমি,
আছিলা এদিন;
সুখ দিন উকলিল,
ভাগ্যলক্ষ্মী আঁতৰিল,
গহীন বনত আহি
হ'লা একাকিনী।
ঈশ্বৰ মঙ্গলময়,
অৱশ্যে তোমাৰো জয়

অৱশ্যেই আছে।
কাতৰে মিনতি কৰি
মাতিছোঁ চৰণে ধৰি,
নকৰিবা শোক যেন
অৰণ্যত থাকি।
ওচৰতে বাল্মীকি আশ্ৰম
অতি মনোৰম,
পাবাগৈ অপ্ৰয়াশে।
বৈদেহী—বোপা লক্ষ্মণ !
সুমিত্ৰা শাহুৰ তুমি
যতনৰ ধন।
নহবা বিহ্বল আৰু
হাবিৰ মাজত।
পাপিনীয়ে কৰ্ম্মফল
অৱশ্যে ভুগিব,
ভাগ্যবানে তাত কিয়
বেজাৰ কৰিব?
স্বীয় প্ৰাণনাথ
বিমুখ সীতাৰ প্ৰতি,
বিমুখ নগৰবাসী,
এনে সীতা বনতে থাকিব।
প্ৰাণনাথ,
ৰঘুনাথ,

প্রকৃত প্রজাৰ নাথ!
অপবাদ অধৰম
নোৱাৰে থাকিব
যাৰ পৱিত্র ৰাজ্যতে ;
তেওঁ কিয়,
সামান্য ভাৰ্য্যাৰ স্নেহে
পৱিত্র কুলৰ এনে
কলঙ্ক ৰাখিব?
অত্যন্ত ধাৰ্ম্মিক ৰজা
প্ৰাণনাথ মোৰ,
ধৰ্ম্মেৰে পালিব প্ৰজা,
এনে ভাগ্যৱতী কোন মেদিনী মণ্ডলে?
কিন্তু বোপা!
এটি দুখ অন্তৰত
জ্বলিছে বিশেষকৈ ;
বিনে সেই প্ৰাণ নাথ,
জীম মই কেনেকৈ?
যাক নেদেখিলে মোৰ
সুখ শান্তি দূৰ হয়,
যাক নেদেখিলে
কান্দি ব্যাকুলিত হওঁ ;
যাৰ পদ সেৱা বিনে
জানকীৰ গতি নাই,

সি জন বিহনে মোৰ
মৃত্যু অতি সুনিশ্চয় ।
জাহ্নবীজলত, নাই
অগ্নি চিতা জ্বালি হায় !
মৰোঁ মই এতিয়াই,
এৰাওঁ জঞ্জাল !
স্বামীপদ শিৰে লওঁ,
ভৱসিন্ধু পাৰ হওঁ,
অতিক্ৰম কৰোঁ আজি
বিশাল কৰাল !
উঃ ! বংশ লোপ হয় তাতো
জানকীনাথৰ ।
বোপা !
শ্ৰীমুখৰ আজ্ঞা পালোঁ,
দেশলৈ যোৱাঁ,
শাহুসকলক মোৰ
বাতৰি জনোৱাঁ ।
দদাৰাক ক'বাঁ,
যেন নকৰে বেজাৰ ;
পুত্ৰ ভাবে পালে যেন
প্ৰজা অযোধ্যাৰ ।

হাঁ নাথ ! আপুনি ক'ত ! ক'ত সেই অযোধ্যা ! ক'ত মোৰ প্ৰিয় প্ৰজাসকল ! সখিসকল আৰু আইসকলেই বা ক'ত !

PLEASE HANDLE THE BOOK CAREFULLY

লক্ষ্মণ—(থৰকৃবৰকৃকৈ) ধিক, ধিক, ধিক লক্ষ্মণৰ নিষ্ঠুৰ হৃদয়!
প্ৰতিকাৰ কৰ নিজে শতধা বিদীৰ্ণ হৈ।
উপমাবিহীন সতী
বিদেহ দুহিতা,
অযোধ্যাৰ পটেশ্বৰী,
হায়! কেনেকৈ থাকিব বনত!
কোন সতে এৰি যাওঁ মই!
ৰজাৰ আদেশ।
অৱশ্যে পালন মই কৰিব লাগিব।
বৌদেউ! নাকান্দিব আৰু হিয়া মোৰ ফাটি যায়।

বিলাপ।

হিয়া মোৰ ফাটি যায়, হিয়া মোৰ ফাটি যায়,
হিয়া মোৰ ফাটি যায়!
(মা) চৰণ দুখানি চাওঁ, শোকবহ্নি নুমুৱাওঁ,
নমিলে যি পাদপদ্মে পৰাণ জুৰায়।
কাতৰে মিনতি কৰোঁ, চৰণ দুখানি ধৰোঁ,
অধম লক্ষ্মণে এবে মাগিলোঁ বিদায়।

(চকুৰ পানী মচি মচি সীতাৰ ফালে উভতি উভতি চাই অযোধ্যাভিমুখে ধীৰে পাদ বিক্ষেপ পূৰ্ব্বক প্ৰস্থান।)

একাকিনী বৈদেহীৰ বিলাপ।

দয়াৰ আধাৰ, পুণ্য পাৰাবাৰ,
দুৰ্ভগা জানকী জীৱন।
বনফুল হাৰে, পূজোঁ হেপাহেৰে,
সেৱোঁ ৰাতি দিনে চৰণ ॥
নিৰ্জ্জন কাননে, পশু পক্ষীগণে,
লভোক তোমাৰ চৰণ ;
চতুৰ্দ্দিকে মই, দেখোঁ ৰামময়,
কৰোঁ সুখে বিচৰণ।

(অচেতন)

(ঋষিকুমাৰসকলৰ প্ৰবেশ)

প্ৰথম কুমাৰ— আ হা হা! কেনে শুৱনী! কেনে শুৱনী !! ইস্ বনখানকেই পোহৰ কৰিব লাগিছে। আহা হা! কেনে সুন্দৰী !! কেনে সুন্দৰী !!!

দ্বিতীয় কুমাৰ—নহয় ভাই! কান্দিছে শুণেহে মুখখনি জুইৰ দৰে জিলিকিছে। ভাই কান্দিছে বা কিয়? অহিছে বা ক'ৰ পৰা? দেহি ঐ! কেনেকৈ উচুপি উচুপি কান্দিছে চোৱাঁচোন।

তৃতীয় কুমাৰ—ভাই এওঁ নিশ্চয় কোনোবা স্বৰ্গৰ দেবী। আমাৰ প্ৰভুৱে দেখিলে নিশ্চয় চিনিব পাৰিব। আমাৰ প্ৰভুৱে ভাই, স্বৰ্গৰ দেৱদেৱীবিলাককো চিনে নহয়। ব'লা প্ৰভুক বেগেতে মাতি আনোগৈ।

প্ৰথম আৰু দ্বিতীয় কুমাৰ—ব'লা ব'লা বলা।

(হাত ধৰাধৰিকৈ দেও মাৰি মাৰি গীত গাই গাই
বাল্মীকিক বিচাৰি যায়।)

গীত।

ব'লা ব'লা লৰালৰি,
হাত ধৰাধৰি কৰি;
মাতি আনো প্ৰভুক বেগাই,
দেখুৱাওঁহি বনদেবী।

(ক্ষণেকান্তে বাল্মীকি আৰু ভলুকা লিতিকাই সহ ঋষিকুমাৰ
সকলৰ পুনৰ প্ৰবেশ)

প্ৰথম কুমাৰ—(অঙ্গুলিয়াই) সৌৱা, সৌৱা, সৌৱা। প্ৰভু সেই ফালেই দেখিছেনে? সৌৱা, সৌৱা।

দ্বিতীয় কুমাৰ—এঃ দেখা নাইনে কি? সৌৱা নহয়, গোটেই ভোটা তৰাটো জিলিকাদি জিলিকিব লাগিছে।

তৃতীয় কুমাৰ—ভলু! তই দেখিছনে অ? চাছোন, কেনেনো সুন্দৰী। আমি কোৱা কথা এতিয়া সঁচানে মিছা ঐ?

লিতিকাই—ভালেই হৈছে বুপাই! বুঢ়া কালত তেও বাপু দেউৰ কপালখান মুকলি হ'ল। এই বাৰ আৰু বাপুৱে মলাগুটি জপিবলৈ এৰিব। বাপুৰ খোজৰ খৌকিবা-খৌকি নেদেখিছা।

ভলুকা লিতিকাইৰ

গীত।

বাপু কেনে মজাৰ ঢৌ।
এই চিপত পৰি যাব দহনখীয়া বৌ॥
বাপুৰ চকুৰ কেনে পাক্,
ত'ত দেখিয়েই অবাক্,
পেট ভৰি মজা কৰি
খোৱাঁ বাপু মৌ॥

বাল্মীকি—(অলপ থংমুৱাকৈ উভতি চায়) মনেমনে আহিব নোৱাৰ-
ইঁত নে?

লিতিকাই—খুব প্ৰভু! খুব পাৰোঁ। যেনে তেনে মতে কাৰ্য্যটো
সিদ্ধি হওক।

বাল্মীকিক দেখি জানকীৰ পাগলিনী বেশে

বিলাপ।

নাথ, নাথ, কেনে নাথ, কিয় নাথ. ক'ত নাথ,
ক'ত আছে দুখুনীৰ নাথ?
এই নাথৰ মাত শুনিলোঁ, নাথৰ গাতে গা লগালোঁ,
চোৰাঁ পথিক, চোৰাঁ চোৰাঁ, আকৌ হঠাৎ হেৰুৱালোঁ।

বাল্মীকি—পতিব্ৰতে! ইমান অধৈৰ্য্য হৈছা কিয়? স্থিৰ হোঁৱা-
ছোন, মই পথিক নহওঁ, তোমালোকৰ পূৰ্ব্ব পৰিচিত
বাল্মীকি।

বৈদেহী—ধৈৰ্য্য, ধৈৰ্য্য, ধৈৰ্য্য, কাৰ আছে ধৈৰ্য্য?

প্ৰাণনাথ একমাত্ৰ ধৈৰ্য্যৰ সাগৰ;
ধৈৰ্য্য-জলে স্নান মাত্ৰে ধৈৰ্য্য লাভ হয়;
কিন্তু সেই ধৈৰ্য্য-জল নাথৰ লগত।
ক'ত আছে প্ৰাননাথ অভাগীৰ নাথ?
প্ৰভু! দেখুৱাই দিয়াঁ,
মাতিছোঁ চৰণে ধৰি।

বাল্মীকি—তোমাৰ প্ৰাণনাথ সৰ্ব্বত্ৰে বিৰাজিছে।

গহন কাননে,
বিজন বিপিনে,
আকাশে পাতালে,
তয়ু প্ৰাণনাথ।
আত্মাই আত্মাই,
শিৰাই শিৰাই,
পৰ্ব্বতে গহ্বৰে,
কৰিছে বিৰাজ।
অটল সমুদ্ৰ,
জগত ব্ৰহ্মাণ্ড,
স্বৰগ বৈকুণ্ঠ,
যাৰ অন্তৰত।
চন্দ্ৰ সূৰ্য্য অগ্নি,
তাৰকা মণ্ডলী,
প্ৰকাশে শততে
যাৰ আদেশত।

নেদেখোঁ অভাৱ,
সৰ্ব্বত্রে প্রকাশ,
যোগী হৃদিমণি,
যোগেশ ঈশ্বৰ।
যোগচৰ হৰি,
যোগেশ্বৰ হৰি,
যোগাসনে হৰি,
দৈন দশা হৰ।

ঋষিকুমাৰসকল—(বৈদেহীৰ আঁচলত ধৰি)

গীত।

ব'লা মা, ব'লামা, ব'লা মা, ব'লা মা;
আশ্রম চাবলৈ, আমাৰ ঘৰলৈ।
আমি সকলোৰে সুখে ৰাতি দিনে,
পুজিম শ্রীচৰণ, ব'লা আশ্ৰমলৈ।

বাল্মীকি—পতিব্রতে! মোৰ আশ্রমলৈ আহি তুমি বেজাৰকৈ থাকিলে মোৰ মনত বৰ বেদনা হব। দেখা, আশ্রমৰ তপোনিষ্ঠ তাপসীসকলে তোমাক নিজৰ কন্যাৰ দৰে প্ৰতিপালন কৰিব। আশ্রমৰ তুমিয়েই মহাৰাণী হবা। এই অৰ্ঘ লোৱাঁ, মোৰ ওপৰত বিশ্বাস কৰাঁ, আনন্দেৰে আশ্ৰমলৈ যাওঁ ব'লা।

বৈদেহী—(অৰ্ঘ গ্ৰহণ কৰি) প্ৰভুৰ আদেশমতে কৰিব লাগিব। ভাল বলক। (সকলোৰে প্ৰস্থান)

দ্বিতীয় গৰ্ভাঙ্ক।

দৃশ্য—বাল্মীকিৰ আশ্ৰম।

হাতত ফুলৰ মলা লৈ মুনিপত্নীসকল আৰু ঋষিকুমাৰসকলৰ
গীত।

অযোধ্যাৰ লক্ষ্মী, প্ৰাণাধিকা সখী,
ব'লা ব'লা মিলি সকলো যাওঁ ;
বনফুল হাৰে, পূজোঁ হেপাহেৰে,
অতি সাদৰেৰে আগ বঢ়াওঁ।
পৰ্ণ কুটীৰত, জানকী সখীক, বলা আনি থওঁ ;
সকলোৰে বেৰি, প্ৰাণ মন খুলি, দুটি কথা কওঁ ;
দেখিম নয়ন ভৰি,
শোভিব সীতা সুন্দৰী,
হাঁহি মুখে, মন সুখে,
সীতাৰ চন্দ্ৰমুখখনি চাওঁ।

(জানকী আৰু তলুকা লিতিকাইৰে সৈতে বাল্মীকিৰ প্ৰবেশ)

বাল্মীকি—(অলপ আগ বাঢ়ি মুনিপত্নীসকলৰ প্ৰতি)
অযোধ্যাৰ লক্ষ্মী মহাৰাণী মহাসতী জানকীক প্ৰভু ৰামে বিনা দোষত কেৱল লোকাপবাদৰ ভয়ত বনলৈ পঠাইছে। সম্প্ৰতি মহাৰাণীয়ে আমাৰ আশ্ৰমৰ শোভাবৰ্দ্ধন কৰিব। তোমালোক সকলোৱে তেওঁৰ প্ৰিয় কাৰ্য্য কৰিবা। মহাৰাণীয়ে কোনো বিষয়ত কষ্ট পালে মই নিজে পোৱা যেন বুলি ভাবিম।

প্ৰথম মুনিপত্নী—বহুকালৰ তপস্যাৰ ফলেৰে যি বস্তু লাভ কৰিছোঁ, তাৰ প্ৰতিপালনৰ বিষয়ে প্ৰভুয়ে আৰু ক'ব লাগিছে নে? ব'লা আমি লক্ষ্মী আইক ঘৰলৈ নিওঁহঁক।

(সকলোৱে বেৰি গীত গাই গাই জানকীক মলা পিন্ধাইঁ)

গীত।

ধুন মাৰা চেনেহী সখী,
আজি বনফুল হাৰে।
বনে বনে ফুল তুলি, গাঁথি মলা যতন কৰি,
আনিছোঁ হে লগৰী, পিন্ধাবৰ মনে।

চতুৰ্থ অঙ্ক।

প্ৰথম গৰ্ভাঙ্ক।

দৃশ্য—শ্ৰীৰামচন্দ্ৰৰ সভা।

শ্ৰীৰামচন্দ্ৰ, বিজয়, মধুমত্ত, ভদ্ৰ, লক্ষ্মণ ভৰত আৰু শত্ৰুঘ্ন উপবিষ্ট।

ৰাম—ৰোপাইত! আমাৰ অনেক দিন ৰাজত্ব কৰা হ'ল। ৰাজত্ব কৰিবলৈ গ'লে পাপ নহয় এনে ভাগ্যবান পুৰুষ অতি বিৰল। ৰাজ কাৰ্য্যৰ লগে লগে ধৰ্ম্ম কাৰ্য্যৰো অনুষ্ঠান হ'ব লাগে। এবাৰ ধৰ্ম্মৰ মৰ্য্যাদাভূত অক্ষয় আৰু অব্যয় ৰাজসূয় যজ্ঞ কৰি জীৱন চৰিতাৰ্থ কৰিব খোজোঁ, তোমা-লোকৰ মন কি?

ভৰত—ককাইদেউ! পৃথিবীৰ সমস্ত ৰজা প্ৰজাৰ আপুনি পিতৃতুল্য। ৰাজশূয় যজ্ঞ পাতিলে যে আপোনাৰ ক্ৰোধ উপস্থিত হব; ফলে অসংখ্য প্ৰাণী বধ হব। এতেকে মোৰ মনেৰে এই কাৰ্য্যৰ পৰা ক্ষান্ত পোৱাই মঙ্গল।

ৰাম—বোপা! তোমাৰ কথাত মই বৰ সন্তুষ্ট হলোঁ। পৃথিবী ৰক্ষা সম্বন্ধে তুমি অকুণ্ঠিত ভাবে পুৰুষাৰ্থ সমন্বিত ধৰ্ম্মসঙ্গত কথাকেই কইছা। তোঁমাৰ সদ্বাক্যানুসাৰেই মই সঙ্কল্পিত ৰাজশূয় যজ্ঞৰ পৰা ক্ষান্ত পালোঁ।

লক্ষ্মণ—ককাইদেউ! ই কোনো কথা নহয়। ধৰ্ম্ম কাৰ্য্যৰ অনুষ্ঠানত যিবিলাক প্ৰাণী বধ হবৰ সম্ভৱ, সেইবিলাক সম্ভৱতঃ কোন বিধৰ প্ৰাণী হব পাৰে? অৱশ্যে ধৰ্ম্মৰ ব্যাঘাতকাৰী হব। পাপীৰ প্ৰায়শ্চিত্ত হবই লাগে। তথাপি যদি ৰাজশূয় যজ্ঞ কৰিবলৈ আপোনাৰ অনিচ্ছা হৈছে, তেন্তে মোৰ প্ৰাৰ্থনা যেন আপোনাৰ অভিৰুচি পৰম পাৱন সুমহান যজ্ঞ অশ্বমেধ যজ্ঞৰ ফালেই প্ৰবৰ্ত্তিত হয়। পুৰাণত কৈছে পুৰন্দৰ ইন্দ্ৰ ব্ৰহ্মহত্যা পাতকত পৰিও অশ্বমেধ যজ্ঞানুষ্ঠান কৰি পবিত্ৰ হৈছিল।

ৰাম—সঁচা। অশ্বমেধ যজ্ঞ যথাৰ্থতে শ্ৰেষ্ঠ। বাৰু তোমাৰ কথা মতেই হওক। এতিয়া তুমি অশ্বমেধ বিধানজ্ঞ দ্বিজ প্ৰবৰ বশিষ্ঠ, বামদেৱ, জাবালী আৰু কশ্যপক মাতি আনাগৈ। সিবিলাকৰ লগত পৰামৰ্শ কৰি যথাবিধান লক্ষণ সম্পন্ন অশ্ব বিসৰ্জ্জন কৰা হওক।

লক্ষ্মণ—হয় ককাইদেউ, মই মিথিলাকক সভাদৈ লৈ আহোঁগৈ।

(নিষ্ক্রান্ত)

ৰাম—(ভৰতৰ প্ৰতি) বোপা! অশ্বমেধ যজ্ঞৰ মাহাত্ম্য যথাৰ্থতে অসীম। এই কাৰ্য্যত হাত দিয়া সামান্য মানুহৰ সাধ্যাতীত। যদি সুকলমে কাৰ্য্যটি সমাধা হৈ যায় তেন্তে ই অতিশয় সৌভাগ্যৰ ফল বুলিহে ধৰিব লাগিব।

ভৰত—অৱশ্যে ককাইদেউ মহন্তেই হে মহৎ কাৰ্য্য সাধিব পাৰে। আপুনি ইক্ষাকু কুলৰ শ্ৰেষ্ঠ নৃপতি, আপোনাৰ অসাধ্য পৃথিবীত কি হব পাৰে?

(বশিষ্ঠ আদি দ্বিজসকলেৰে সৈতে লক্ষ্মণৰ পুনৰ প্ৰবেশ)

ৰাম—(প্ৰণিপাত পূৰ্ব্বক) প্ৰভুসকল! অনুগ্ৰহকৈ আসন গ্ৰহণ কৰি যেন ৰামৰ অভীষ্ট সিদ্ধি কৰে!

বামদেৱ—পাছে মহাৰাজ আমাক মতালে বা কিয়?

ৰাম—প্ৰভুসকল! অনেক দিন ক্ষত্ৰিয়ৰ আচাৰেৰে ৰাজত্ব কৰি আজি এভাগি অশ্বমেধ যজ্ঞ কৰিবৰ মন কৰিলোঁ। আপোনাসকলে এতিয়া সকলো বিষয়তে পৰামৰ্শ দি কৰাব লাগে।

বশিষ্ঠ—বৰ উত্তম কাৰ্য্য কৰিছে মহাৰাজ! আঃ এই কেৰিয়েই হে আক সাৰ্থক। বোলে "যত দেখা ধন জন, সবে মাত্ৰ অকাৰণ।" ভাল কাৰ্য্যলৈ মন কৰিছে। "শুভস্য শীঘ্ৰং।"

অৱশিষ্ট দ্বিজ—(সমস্বৰে) 'অনুভস্য কাল হৰণং।'

বশিষ্ঠ—এতিয়া যজ্ঞ ক্ষেত্র নির্ম্মাণ, বন্ধুবান্ধৱৰ নিমন্ত্রণ, যজ্ঞ সম্ভাৰ সংগ্রহ, স্বর্ণ সীতা নির্ম্মাণ আদি কার্য্য শীঘ্রে সম্পন্ন হব লাগে। যজ্ঞার্হ লক্ষণযুক্ত এটি কৃষ্ণসাৰ অশ্ব বিচাৰ কৰাওক। পূজাৰ বাবে যি যি বস্তু লাগে তাক গোটাবৰ নিমিত্তে মোৰ লগত কেজন যোগ্যবান মানুহ দিয়ক।

ৰাম—বোপা লক্ষ্মণ! পলম কৰিবৰ সকাম নাই। শীঘ্রে মহাত্মা সুগ্রীবক, কামগামী ৰাক্ষসবিলাকে সৈতে অতুলবিক্রম ৰাক্ষসৰাজ বিভীষণক, দেশ বিদেশৰ ৰজাসকলক, নৰ্ত্তক নৰ্ত্তকী, সূত্রধাৰ আৰু ঋষি মুনিসকলক যজ্ঞলৈ নিমন্ত্রণ কৰাঁ। গোমতী নদীৰ তীৰৰ নৈমিষাৰণ্যত ৰহলকৈ যজ্ঞভূমি নিৰ্ম্মাণ কৰিবলৈ আদেশ কৰাঁ। প্রজাবিলাকৰ ঘৰে ঘৰে যেন আজি শান্তি বিৰাজ কৰে। ভৰত বোপা! তুমি যজ্ঞ সম্ভাৰ নৰ্ত্তকী আৰু বেপাৰী দোকানীবিলাক যজ্ঞ স্থানলৈ পঠাই দিয়াঁ। তুমি নিজেও আইসকলক লৈ শত্রুঘ্নেৰে সৈতে তালৈকে যোৱাঁ। স্বর্ণ সীতাও তোমালোকৰ লগতে লৈ যোৱাঁ। বোপা লক্ষ্মণ! তুমি শীঘ্রে গৈ নিজ চকুৰে চাই ঘোৰাশালৰপৰা এটি ঘোৰা লৈ আহাঁ আৰু সৈন্য সামন্ত লৈ ঘোৰাৰ ৰক্ষাৰ নিমিত্তে যাবলৈ প্রস্তুত হোৱাঁ। মধুমন্ত! তুমি ঘোৰাৰ কঁপালত আৰি দিবৰ নিমিত্তে এখনি স্বর্ণাক্ষৰৰ জয়পত্র লেখি দিয়াঁ।

লক্ষ্মণ—ককাইদেউ! মই ঘোৰা আৰু সৈন্য-সামন্ত উলিয়াই লৈ আহোঁগৈ। মধুমন্ত! তুমিও আহাঁ। (উভয়ৰে নিষ্ক্রামণ)

ভৰত—ককাইদেউ! যজ্ঞত স্বৰ্ণসীতাৰ আৱশ্যক কি?

ৰাম—অশ্বমেধ যজ্ঞত ৰাণী নোহোৱাকৈ ৰজা বহিব নোৱাৰে। যদিও কেতিয়াবা ৰাণী নাথাকে, তেন্তে সোণেৰে ৰাণীৰ প্ৰতিমূৰ্ত্তি এটি কৰিয়েই বামাসনত বহুৱাব লাগে। ৰজাৰ সৰ্ব্বাঙ্গ পূৰ্ণ হব লাগে। নহলে যে ৰজা বামাঙ্গ বৰ্জ্জিত হয়।

ভৰত—তেন্তে স্বৰ্ণসীতা সম্পূৰ্ণ সীতাৰ আকৃতিৰেই হব লাগিব নে?

ৰাম—যিমান পাৰি চেষ্টা কৰিব লাগে।

(সসৈন্যে ঘোৰা সহ লক্ষ্মণৰ পুনৰ প্ৰবেশ)

লক্ষ্মণ—ককাইদেউ! অভিযানৰ নিমিত্তে সকলো প্ৰস্তুত। আদেশ হ'লেই যাত্ৰা কৰিব পাৰোঁ।

ৰাম—জয় পত্ৰ কি বুলি লিখা হ'ল? এবাৰ পঢ়াছোন্?

(বীৰবেশে লক্ষ্মণৰ জয়পত্ৰ পাঠ)

জয়পত্ৰ।

ৰঘুকুল ধুৰন্ধৰ, অযোধ্যাৰ অধীশ্বৰ,
বীৰকুল চূড়ামণি ৰাজ চক্ৰবৰ্ত্তী ৰামে,
পুণ্য হেতু, অশ্বমেধ যজ্ঞ পাতি,
দিগ্বিজয়াৰ্থে অশ্ব কৰিলে মোচন।
অশ্বৰ ৰক্ষাৰ হেতু, শত্ৰুৰ দমন হেতু,
বাহিৰিল সৈন্য সমে কেশৰী লক্ষ্মণ।
যাৰ সাধ্য আছে অশ্ব কৰিব বন্ধন,
নতু অধীনতা মানি, যজ্ঞৰ সম্ভাৰ আনি,
উপস্থিত হব যজ্ঞে, এয়ে নিমন্ত্ৰণ।

ৰাম—সুন্দৰ লেখা হইয়াছে। বাৰু বোপা! তুমি এতিয়া যোৱাঁ।
দিগ্বিজয় কৰি আহি যেন কুশলে মোৰ ওচৰ পোৱাহি।
(সশস্ত্রে লক্ষ্মণৰ ৰামক প্রণিপাত আৰু সৈন্যৰ গীত বাদ্যাৰম্ভ।)

গীত।

বোলা, বোলা, বোলা ভাই,
মুখে ৰঘুনাথৰ জয়।
জয় জয় জয় জয়, জয় লক্ষ্মণৰ জয়॥
ঢাঁ, ঢাঁ, ঢাঁ, ঢাঁ বাজে জয় ঢাক,
ঢোঁট্ ঢোঁট্ শবদত জগত অবাক,
পেঁ—পোঁ পেঁ—পো কালীৰ চিঞৰ,
কেঁ—কু—কেঁ—কু বীণাৰ সুস্বৰ,
বাজে মৃদঙ্গ দুন্দুভি ভেৰী মন উদগাই॥
(ৰণবাদ্য ধ্বনি কৰি লক্ষ্মণৰ সসৈন্যে প্রস্থান)

দ্বিতীয় গর্ভাঙ্ক।

দৃশ্য—যজ্ঞক্ষেত্র।

(শ্রীৰামচন্দ্র মুনিসকলৰ পাদ বন্দনাত নিযুক্ত।)

ৰাম—প্রভুসকল! লক্ষ্মণ বোপাৰ কিবা অমুত ভাবনাই দেখোঁ হঠাৎ মোৰ হৃদয় অধিকাৰ কৰিলে। সুখ-আশালতা দেখোঁ শুকিতে ছিগা ছিগা যেন অনুভৱ হৈছে। উঃ! বুকুখন ঢপ্ ঢপাইছে কিয়?

(তললৈ মূৰকৈ চিন্তা)

ভগ্নদূতৰ প্ৰৱেশ।

ভগ্নদূত—(দূৰতে) হায়! হায়! আজি নো মই মহাৰাজলৈ কি সুখৰ বাতৰিটো লৈ আহিছোঁ? যুৱৰাজ লক্ষ্মণ নিধনৰ বাতৰিয়ে যে মহাৰাজক সমূলি অস্থিৰ কৰি তুলিব। মহীমণ্ডলত ভগ্নদূতৰ খাটনিতকৈ অধম খাটনি আৰু বোধ কৰোঁ কাৰো নাই। বাতৰি যেতিয়া অৱশ্যে দিবই লাগিব আৰু পলম কৰিবৰ সকাম কি?

(লাহে লাহে গৈ ৰামৰ ওচৰত আঠুকাঢ়ি কৰযোৰে উপবেশন)

ৰাম—(মূৰ দাঙ্গি) কি দূত বাতৰি কি? এয়ে নে স্বপ্নৰ ফল?

ভগ্নদূত—(উচুপি উচুপি) মহাৰাজ! যুৱৰাজৰ বাতৰি কবলৈ ধৰিলে বুকু ফাটি যাব খোজে! যুৱৰাজ নিধন!

ৰাম—কি মোৰ জীৱন লক্ষ্মণ? দাৰুণ শেল! (অচেতন)।

সুগ্ৰীৱ।—(ভগ্নদূতৰ ওচৰলৈ চাপি আহি) যুৱৰাজক কোনে মাৰিলে? কোন ৰজাত?

ভগ্নদূত—বাল্মীকিৰ তপোবনত দুটা সৰু সৰু লৰাই মাৰিলে।

সুগ্ৰীৱ—কেনেকৈ?

ভগ্নদূত—কৰবাৰ সৰু সৰু লৰা দুটা আহি যজ্ঞৰ ঘোৰা ধৰিলেহি, এই বাবেই যুৱৰাজৰ লগত যুদ্ধ হয়। আৰু অলপ সময়ৰ ভিতৰতে সসৈন্যে যুৱৰাজক ধৰাশায়ী কৰে।

সুগ্ৰীৱ—উঃ! কি আচৰিত কথা! ইন্দ্ৰজিত বিজেতা লক্ষ্মণে কি সামান্য দুটা লৰাৰ যুদ্ধতেই প্ৰাণ এৰিলে? হায় যুৱৰাজ! তোমাৰ সেৱক সুগ্ৰীৱক ইয়াতে এৰিলা! তোমাৰ অতি চেনেহৰ ৰুকাইদেউয়েৰাৰ বিলাই আজি

কোনে চায়। আজি তুমি সমস্ত অযোধ্যাপুৰিক কন্দু-
ৱাই ক'লৈ গলাগৈ? সুগ্ৰীৱৰ আজি সকলো বল ধ্বংশ
হল। হায় যুৱৰাজ! তুমি...হ...হ (ক্ৰন্দন)।

ভৰত—(সজলনেত্ৰে ৰামক বিচি বিচি) ককাইদেউ? আমাৰ
হৰ লগীয়া হ'ল। এতিয়া আপুনিও অস্থিৰ হৈ আমাক
নামাৰিব। ককাইদেউ! মোৰে শপত আৰু নাকান্দিব।

শত্ৰুঘ্ন—(লৰালৰিকৈ আহি আঠুকাঢ়ি) ককাইদেউ! আপুনি
ধীৰ। জগতত আপোনাৰ সুখ্যাতি সূৰ্য্যৰ দৰে জিলি-
কিব লাগিছে। ভ্ৰাতৃশোকে আমাৰ দৰে প্ৰাণীৰ মনতহে
ৰাজত্ব কৰিব পাৰে। আপুনিও দেখোঁ এনে পাপক লাই
দিবলৈ ধৰিছে!

ৰাম—বোপাইঁত! ৰামৰ জীৱন আজি ৰামত নাই। লক্ষ্মণৰ লগতেই
আনন্দেৰে ফুৰি ফুৰিছে। লক্ষ্মণ! মোৰ প্ৰাণৰ লক্ষ্মণ!
মোৰ বাওঁবাহু লক্ষ্মণ!

ক'ত তুমি বিৰাজিছা আনন্দ মনেৰে?
স্বৰগ পৃথিবী নাই, ৰসাতল মাজে?
কোৱাঁ মোক নাভাঁৰিবা কোৱাঁ লগতেই;
মোকে লৈ থাকা তুমি যতে ইচ্ছা যৈ।

বিভীষণ—প্ৰভু! আপুনি দেখোঁ উপস্থিত বিপদত সমূলি কৰ্ত্তব্য
পাহৰিলে? যি অধমে এই ধৰ্ম্ম কাৰ্য্যত ব্যাঘাত কৰিছে,
যি পাষণ্ডই যুৱৰাজ লক্ষ্মণক নিধন কৰিছে, তাৰ প্ৰতি-
কাৰৰ কি চেষ্টা কৰিলে? পাষণ্ডৰ অতি শীঘ্ৰে প্ৰায়শ্চিত্ত
হব লাগে। ভ্ৰাতৃহন্তাক সমুচিত দণ্ড দি হৃদয়ৰ প্ৰজ্বলিত

হুতাশনত পানি ঢালিব লাগে! শীঘ্রে যোৱা মোকোলাই আনি যজ্ঞ সমাধাৰ চেষ্টা কৰিব লাগে, এই হে ধীৰ বা বীৰৰ কাৰ্য্য।

ৰাম—ভ্ৰাতৃহন্তা পাপিষ্ঠক দেখিম এবাৰ।
সামান্য নহয় কিন্তু লক্ষ্মণাৰি বীৰ।
তথাপিও আজি মই লওঁ ধনুৰ্ব্বান,
দেখোঁ কাৰ ৰক্ষা হয় ক্ষত্ৰিয় শিয়াল।
চোকা চোকা অস্ত্ৰ মাৰি,
কপাম বাসুকী আজি,
গপাল যমৰ আজি পোতক তুলিম।
বিদাৰি স্বৰ্গৰ বান্ধ,
মহী সমে দিম বান্ধ,
চেপাতে মাৰিম শত্ৰু স্বকাৰ্য্য সাধিম।
নতু ব্ৰহ্ম অস্ত্ৰ মাৰি,
শত্ৰুৰ হিয়া বিদাৰি,
কুকুৰক দিওঁ আনি পূৰাওঁ হেপাঁহ।
নতু বিষ্ণু অস্ত্ৰ ধৰি,
সমূলে বিনাশোঁ মহী,
গুচাওঁ পাৰ্থিব মেল, গুচাওঁ পিয়াহ।

ভৰত—ককাইদেউ! নালাগে সাগৰ, চাকি অলপতে মুমাব।
মদ মত্ত গজ বিনে কলগছ ভাঙিব॥
সামান্ত বাঘেই পহু লাথে লাথে মাৰিব।
তাক কিয় গজৰাজে, ভীম নাদে বধিব॥

শৃগাল সদৃশ অৰি, ভৰতকে নাতিব।
তাঁত কিয় মহাজনে হস্তক্ষেপ কৰিব॥
তযু আজ্ঞাধীন মোৰ এই ভুজ বল।
আজ্ঞা মাত্রে নাশ কৰে পৃথিবীমণ্ডল।
তথাপি সন্দেহ যদি হয় তযু মনে।
শত্রুঘ্ন সহিতে হুয়ো, যাওঁ আজ্ঞা পালে॥

শত্রুঘ্ন—ককাইদেউ! বাখিব লাগিব ৰঘু বংশৰ গৌৰব।
ভাবিছিলোঁ পৃথিবীত এনে বীৰ নাই।
ৰাঘৱ বিৰোধ তাৰ মনলৈ আনি
জীয়ে এক দণ্ড কাল।
ধন্য বীৰ,
ধন্য বুদ্ধি,
ধন্য তাৰ এচালি-এমালি।
নাজানে পাষণ্ডে,
ৰাঘৱৰ আজ্ঞাধীন কত বীৰ আছে?
বনবাসী তপস্বীৰ এনে অহঙ্কাৰ,
পৰশুৰামৰ আগে ক্ষত্রিয় আচাৰ।
তপোবন লণ্ড ভণ্ড,
বসুমতী খণ্ড খণ্ড,
কৰিম নিশ্চয় আজি এই ভুজ বলে।
কৰোক আদেশ আৰ্য্য!
সাজোঁ ৰণ সাজে,
ধৰি আনোঁ ৰাঘৱাৰি;

সমুচিত দণ্ড কৰি,
তযু পদ তলে,
নাগ পাশে বান্ধি থওঁ,
প্ৰজাৰ সম্মুখে।

ৰাম—বোপাইঁত যি শত্ৰুৱে মহাবীৰ লক্ষ্মণক নিধন কৰিব পাৰিছে, তাক অতি সামান্য শত্ৰু বুলি নাভাবিবা। মোৰ ইচ্ছা, তোমা-লোক দুয়ো যোৱাঁ। সৈন্য সামন্তৰ বল কিছু বেচিকৈ লোৱা। অতি সাৱধানে যুদ্ধ কৰিবা। মই নিজে সম্প্ৰতি যুদ্ধলৈ গ'লে ৰাজনীতিৰ কিছু লৰচৰ হয়, বিশেষকৈ তোমালোকৰো যুদ্ধ যাত্ৰাৰ ইচ্ছা অতিশয় প্ৰবল হৈছে গতিকেহে তোমালোকে আজি যুদ্ধ যাত্ৰাৰ অনুমতি পাব পাৰিলা। আশীৰ্ব্বাদ কৰিছোঁ যেন শত্ৰু জয় কৰি কুশলে ঘৰ পোৱাহি।

(নেপথ্যে ৰণ বাদ্য)

(ভৰত আৰু শত্ৰুঘ্নৰ সশস্ত্ৰে ৰণোত্তেজনাৰ গীত।)

জয় ৰাঘৱৰ জয়,
জয় অযোধ্যাৰ জয়,
জয় জয় ৰঘুপতি,
জয় জয় জয়।
যত প্ৰজা সেনাচয়,
গোৱা ৰাঘৱৰ জয়
উৰক অচিৰে যেন
নিচান বিজয়।

নগৰত জয় জয়
অৰণ্যত জয় জয়,
জয় জয় শব্দেৰে
পূৰক হৃদয়।

তৃতীয় গৰ্ভাঙ্ক।

দৃশ্য—এটি নিৰ্জ্জন ঘৰ।

শ্ৰীৰামচন্দ্ৰ অকলেই উপবিষ্ট।

ৰাম—মোৰ মনত অতি দুৰ্ব্বেই বাজিছে। হ'বৰেই কাৰণ। বেজাৰৰ পাছত আনন্দ, আনন্দৰ পাছত বেজাৰ, মানুহে ভোগ কৰিবই কৰিব। অযোধ্যাত অশ্বমেধ যজ্ঞানুষ্ঠান পুৰবাসীৰ কেনে আনন্দৰ সময়। কিন্তু বিধিৰ বিচাৰ দেখা, সম্পূৰ্ণৰূপে যজ্ঞৰ আনন্দ উপভোগ কৰিবলৈ নৌপাওঁতেই অতি চেনেহৰ লক্ষ্মণ নিধনৰ বাতৰিয়ে সমস্ত অযোধ্যাবাসীৰ চকুত কাপোৰ দিয়ালে। উঃ লক্ষ্মণ নিধন! কথাটো কেনে দাৰুণ! যি লক্ষ্মণে মোক বনতো নেৰিলে, যি লক্ষ্মণৰ অভাৱত মই জীয়াই থকাৰ কোনো উপায় বা কাৰণকে নেদেখিছিলোঁ, এতিয়া দেখোঁ সেই লক্ষ্মণেই মোৰ লগত নাই! আৰু কি? আৰু কি আপদ আছে? (বাওঁ চকু মোহাৰি) কেৱল লক্ষ্মণৰ বিচ্ছেদেই আপদৰ শেষ হোৱা নাই নে কি? অমঙ্গলৰ চিন এতিয়াও দেখিছোঁ। বাওঁ চকু এতিয়াও লৰিবই লাগিছে। কু সম্বাদৰ লোভত

মন এতিয়াও আগ বাঢ়িব লাগিছে। আৰু নো কি বিপদ হব ?। বিধাতা! তোমাৰ লীলা অভেদ্য। তোমাৰ মায়াজাল ভেদ কৰিবলৈ আজি মই সম্পূৰ্ণৰূপে অক্ষম হলোঁ। ধন্য তুমি।

গীত।

কিনো মায়াজাল, বিষম জঞ্জাল,
এবাৰ নোৱাৰোঁ সমূলি।
দৃষ্টি পথ বেৰি, বেজাৰ-কুৱঁলি,
নেদেখোঁ জোনাকী বিজুলী।
বিৰাজিছে ভয় দুখ তাপ,
ভীষণ মূৰতি শোক-পিশাচ,
সমস্ত সংসাৰ, দুখ পাৰাবাৰ,
শোকৰ অটল ঘুলি॥

চতুৰ্থ গৰ্ভাঙ্ক।

দৃশ্য—এজোপা বটগছৰ তলত এখন মনিহাৰি দোকান।

দোকানী আৰু তেওঁৰ বন্ধু বান্ধৱসকল উপবিষ্ট।

দোকানী—(ভাঙৰ চিলিম হাতত লৈ) আগ্ পিজিয়ে।

প্ৰথম বন্ধু—(হাত যোৰ কৈ) নাই ভাই চাহেব! আগ্ পিজিয়ে।

দোকানী—(আনবএজন বন্ধুৰ কালে ছিলিম আগ বঢ়াই) আগ্ পিজিয়ে।

দ্বিতীয় বন্ধু—না ভাই চাহেব! হাম্ লোক নাহি পিয়েঙ্গা আপ্ পিয়েঙ্গা হেই।

দোকানী—(আন এজনৰ কালে আগ বঢ়াই) আপ পিজিয়ে ভাই চাহেব!

তৃতীয় বন্ধু—(আন সকলৰ কালে চাই) ইটাইনু কেমন সখা? গিৰস্ত না শাইয়া কাদ্ধিটা আমাৰে দিচেন্, আমি শিট্টা লাগিয়া শাইমু!

চতুৰ্থ বন্ধু—(টিকিৰাত হোঁপামাৰি). ভাই চাহাব তুমি টিক কটা কইছা। তেওঁ কিন্তু স্বৰূপত এজন ভদ্ৰ মানুহ। সিপো-নেও কিন্তু স্বৰূপত ইমান ভৈয়াম্কৰ দোকান এসনৰ মহাজন। তেওঁ এহোঁপা আগৈতে শাইদিলেহে কিন্তু স্বৰূপত আমাৰ শাবেলেই ভাল! হয় নহয় শনলু?

শনলু—নালগেই বাপা আৰু তাৰ কৰা নালগেই তেউনু কিবা নাজ্না মানুহ না?

পঞ্চম বন্ধু। কেওঁ খাওঁতা নাই যদি দিয়ক। ময়ে লৰতে এটান মাৰি যাওঁ।

দোকানী—(চিলিম আগবঢ়াই দি) বহুৎআচ্ছা মহাৰাজ জি পিজিয়ে।

পঞ্চম বন্ধু—(ভাঙৰ চিলিম লৈ) বম্ মহাদেৱ, বম্ কালী, যায় পাহাৰ কালি।

এক ছিলিমে যেমন তেমন,
দুই ছিলিমে গাঁজা।
তিন ছিলিমে পাত্ৰ মন্ত্ৰী,
চাৰ ছিলিমে ৰাজা। (ভাঙত টান মাৰে)

ষষ্ঠ বন্ধু—আপুনি নো পাছে এইবোৰ ভাবে-সাঙ্গীয়ে কলৈ মন কৰি ওলাল ?

পঞ্চম বন্ধু—(ষষ্ঠ বন্ধুৰ হাতলৈ ছিলিম দি) এ সেইবিলাক কথা আক নুশুধিব দিয়ক। ক'লে সাত দিন সাত ৰাতিয়েও নুধুকাই। মই গ'লোঁ প'ৰহি দিনাই শহুৰৰ ঘৰলৈ। কালি দুপৰীয়া হ'বলা খাইবই উঠি শহুৰৰ চ'ৰাত বহি ভাঁং হোঁপা মাৰিবলৈ ধৰিছোঁ, এনেতে (এজন ভাৰীৰ ফালে আঙ্গুলিয়াই) ই আহিছে সিফালৰ পৰা চুলি মেলি ল'বি। মাতি আনি শুধিলোঁ তাক বোলে হাটত পাণৰ বেপাৰ কৰিবলৈ নোযোৱাৰ বাবে বাপেকে দগৰি মাৰিলে। সেই ধেকেৰীটোৰ গ'ল সেই। আকৌ (আনজন ভাৰীলৈ আঙ্গুলীয়াই) এই চিলঠীয়া-টোৰ আক ছোৱালী জনীৰ হনু ৰসিকলাল নামেৰ বাঙ্গাল এটাই জাত মৰিলে। (বাকী জনলৈ আঙ্গু-লিয়াই) এওঁ হনু আক ক'ৰবাৰ উজনীয়া মানুহ। এওঁৰ বোপা ককাবিলাক বোলে বৰ ডাঙ্গৰ ডাঙ্গৰ মানুহ আছিল, কিন্তু এওঁৰ আজি কালি কিছু কষ্ট হৈছে। সিফালে তেওঁৰে এজন ওচৰচুবুৰীয়া, যি আগেয়ে এওঁ লোকতকৈ বিষয়ে বাসনাই ধনে সম্পত্তিয়ে সৰু আছিল, সি আক এওঁক বৰকৈ গ্ৰাহ্য কৰিব নোখোজাত পৰিছে। টানে মছকিলেও বৰ এটা সহায় নকৰে। সাতে পাঁচে শিঙ্গিমূৰি ৰোৱা খুৱাই আককে লৈ আহিছোঁ নগৰত গোচৰ কৰি দিবলৈ আক কি

কৰিবা। মই যা মুহটো দেও লোকৰ দুখ বোটলোঁতেই মৰিম গৈ।

(ভগ্নদূত আৰু এজনী তিৰুতাৰ প্ৰবেশ।)

ভগ্নদূত—দেখা তোমালোক সাক্ষী থাকিবা। মই যুদ্ধৰ বাতৰি লৈ বেগাবেগিকৈ ৰাজাৰ ওচৰলৈ আহোঁ, এই মোক আগ ভেটি ভেটি ধৰে। এইৰ মতলব কি? মই চাইটা পাঁচোটা লৰা ছোৱালীৰ বাপেকী হলোঁ, এতিয়া তাইক বিয়া কৰিবৰ দিন আছে নে?

পঞ্চম বন্ধু—হয়টো, ঠিক কথা। তুমি ৰজাঘৰীয়া মানুহ, তোমাক তাই কিয় এনে অপমান কৰিব?

তিৰুতা—(ভগ্নদূতৰ কাপোৰত ধৰি) মই তোক যোগ কৰি পাইছোঁ, আজি এৰিবৰ নহয়। আহ্ মোক বিয়া কৰহি।

ভগ্নদূত—মই যদি আজি যুদ্ধৰ পৰা ভগ্নোৎসাহ হৈ নাহিলোঁহেঁতন বা স্ত্রীবধ পাতকৰ দাই নুবুজিলোঁহেঁতন তেন্তে এটা মাত্র বজ্রমুষ্টিৰে তোৰ প্ৰাণবধ কৰিলোঁহেঁতন।

পঞ্চম বন্ধু—এৰাহেঁ গাভৰু, তুমি তেওঁক এৰি দিয়াঁ বুজিছা? তুমি মোৰ লগত আহাঁছোন, এতিয়াই গোচৰ কৰি তেওঁৰ কঠিয়া মাৰি দিমগৈ। (মনেমনে) এইবিলাকেই হৈছে ৰাজ্য অৰাজক হোৱাৰ পূৰ্ব্ব লক্ষণ।

যোগিনী—ই বলিয়া নিশ্চয়।

ভগ্নদূত—এই পাগলী নিশ্চয়।

যোগিনী—ই নেহাৎ বদ্‌জাত।

ভগ্নদূত—এই নেহাত বদ্‌জাতী।

যোগিনী—(নাচি নাচি) ই মই কোৰাকে কয়, চালা হাৰামৰ নেস্থুৰ !

ভগ্নদূত—(নাচি নাচি) এই মই কোৰাকে কয়, চালী হাৰামৰ নেস্থুৰী।

যোগিনী—চুপ কৰ পাজি।

ভগ্নদূত—চুপকৰ চালী।

যোগিনী আৰু ভগ্নদূত—(উভয়ে নাচি নাচ)

"কেইছা জুলুম, আভি হোগা মালুম্।
কেইছা জুলুম, আভি হোগা মালুম্।"

(উভয়েই নিষ্ক্ৰান্ত)

পঞ্চম গৰ্ভাঙ্ক।

ভগ্নদূত—হায়! হায়! যুবৰাজ লক্ষ্মণ নিধনৰ শোকেই চাগে মহাৰাজক এতিয়াও অস্থিৰ কৰিব লাগিছে। তাতে আকৌ ভূতৰ ওপৰতে দানৱ। আজি নো মই কোন মতেৰে প্ৰভুৰামক জনাওঁ "আপোনাৰ ভৰত শত্ৰুঘ্নয়ো যুদ্ধত প্ৰাণ এৰিলে"! (ক্ষনেক চিন্তা) নেলাগে, এতিয়া বাতৰিকে নিদিওঁ? কিন্তু বাতৰি নিদিয়াটোও তো প্ৰভু ৰামৰ কোনো মঙ্গলৰ কাৰ্য্য কৰা নহল। যজ্ঞৰ ঘোৰা বান্ধতে আছে। ইকালে প্ৰভু ৰামে ঘোৰা পাবহি পাবহি আশা কৰিব লাগিছে। এই সময়ত যদি মই বাতৰি নিদিওঁ, তেন্তে যজ্ঞ নো কেই কাললৈ স্থগিত থাকিব? বিশেষকৈ প্ৰভু

ৰামৰ চিন্তা আৰু বেছিহে হব। নহয়, বাতৰি অৱশ্যে দিবই লাগিব। কিন্তু পোনেপোনেই প্ৰভু ৰামৰ আগত নকৈ তেওঁৰ কোনো আপোন মানুহৰ আগত কলেই প্ৰভুয়ে অনেক আশ্বাস বাক্যৰ প্ৰভাৱত এই দাৰুণ বাত-বিটি অলপ লঘুকৈ পাব পাৰে। ঠিক কথা এয়েহে ভাল উপায়। আকৌ এটা কথা নহয়, প্ৰভুৰ নো আপোন মানুহ কোন? কাৰ আগত কলে নো কৃতকাৰ্য্য হব পাৰিম। অ সুগ্ৰীৱ আছে নহয়। ঠিক বুদ্ধিটো থাজে খোপে খাই পৰিল। যাওঁ সুগ্ৰীৱৰ ওচৰলৈকে যাওঁ।

(নিষ্ক্ৰান্ত)

ষষ্ঠ গৰ্ভাঙ্ক।

দৃশ্য—নিৰ্জ্জন ঘৰ।

শ্ৰীৰামচন্দ্ৰৰ অধোমুখে চিন্তা।

ৰাম—(মূৰ দাঙ্গি) মই এতিয়াই এটি সপোন দেখিলোঁ। সপোনেই নে কিবাকেই? নহয়, সপোনেই হে হব। ভৰত শত্ৰুঘ্নক নো ত্ৰিভুৱনত কোনোবাই মাৰিব পাৰে নে? সপোনেই হ'ল বা, এনে অমঙ্গলীয়া সপোন নো মই দেখিব পাওঁ নে?

(সুগ্ৰীৱ আৰু ভগ্নদূতৰ প্ৰৱেশ)

অ, সৌৱা সুগ্ৰীৱ সখি আহিছে। ইওটো আকৌ সপোনকে দেখিছোঁনে কি? নহয়, কেতিয়াও সপোন নহয়।

সঁচাকৈয়ে সুগ্রীৱ সখিয়েই আহিছে, কিন্তু এওঁৰ মুখখনি আজি এনে বিষণ্ণ কিয়? আহক, আহক। (আসন প্ৰদান পূৰ্ব্বক) সখি! এতিয়াই মই এটি সপোন দেখিলোঁ।

সুগ্রীৱ—(ৰামৰ কাষত ঠিয় হৈ) শুভ হওক। কিবা সপোন দেখিলে?

ৰাম—সপোন অতি ভয়ানক! প্ৰকাশ কৰিবলৈ ধৰিলে বুকু ফাটি যাব খোজে। ভৰত আৰু শত্ৰুঘ্নৰ নিধন! উঃ! মূৰটো ঘূৰাবলৈ ধৰিলে!

সুগ্রীৱ—প্ৰভু! আপুনি ইমান অধৈৰ্য্য হয় কিয়? ক্ষত্ৰিয়ৰ যুদ্ধতেই পতন। ভৰত শত্ৰুঘ্ন যুদ্ধত মৰিলেই বা তাৰ বাবে আৰু বিশেষ চিন্তাৰ কাৰণ কি?

ৰাম—নহয় সখি, মই সপোনতহে দেখিছোঁ।

সুগ্রীৱ—হয়, সপোনতেহে দেখিছে, হোৱাই বা আচৰিত কি?

ৰাম—আপোনাৰ কথাবিলাকত আজি ৰস নাই কিয়? আপোনাৰ মুখে এনে কঠুৱা মাত মই কেতিয়াও শুনা নাই। আজি অৱশ্যে কিবা এটা ঘটনা হৈছে। ম্ৰোৰে শপত মোক নাভাঁবিব।

সুগ্রীৱ—আপোনাৰ সপোন সঁচা। এয়া ভগ্নদূত মোৰ লগতে আহিছে।

ৰাম—কি—কি—কি! কি কলে? ভগ্নদূত! (মূৰ্চ্ছা)

সুগ্রীৱ—(মূৰত ফুৱাই) প্ৰভু! সুস্থ হওক। ক্ষত্ৰিয়ৰ মৃত্যুত কোনে শোক কৰে? যাৰ মৃত্যুলৈ তিলাৰ্দ্ধ ভয় নাই,

যি ধৰ্ম্মৰ নিমিত্তে যুদ্ধ কৰি প্ৰাণ এৰিছে, তাৰ মৃত্যুত শোকৰ হেতু কি আছে? আপুনি ইমান জ্ঞানী মানী হৈয়ো শোক-ৰাক্ষসৰ আগত পৰাস্ত হব খোজে নে? তেন্তে আমি কাৰ অনুকৰণ কৰিম?

ৰাম—উঃ! কি হৃদয়বিদাৰক সংবাদ! ইমানতো দেহত প্ৰাণ থাকে। আজি মই সংসাৰত ভাৰ্য্যাহীন আৰু ভ্ৰাতৃহীন! প্ৰাণ! নিষ্ঠুৰ প্ৰাণ! অতি শীঘ্ৰে দেহ-পিঞ্জৰত বিদায় ল! অতি শীঘ্ৰে পিঞ্জৰৰ মায়া-জৰি চিঙ্গি অনিত্য সুখত জলাঞ্জলি দি বোপাহঁতৰ লগত অনন্ত সুখ লাভ কৰ।

সুগ্ৰীৱ—আপুনি দেখোঁ কৰ্ত্তব্যৰ ফালে একেবাৰেই পিঠি দিলে?

ৰাম—যাৰ সংসাৰ শূন্য হৈছে, তাৰ আৰু কৰ্ত্তব্যৰ ভাবনা কি?

বিলাপ।

নিদাৰুণ বিধি বাদী ভৈলা, অযোধ্যা নগৰি শূন্য কৈলা,
কাকুৎস্থ বংশৰ নিৰ্মূল বাঞ্ছা কৰিলা।
আনন্দ উৎসৱে যজ্ঞ পাতি, বন্ধু বান্ধৱক আনি মাতি,
বিপাঙ্গে মৰিলোঁ বিধিয়ে বাদ সাধিলা॥
প্ৰিয়তমা পত্নী বিসৰ্জ্জিলোঁ, ভাই তিনিওটিকে হেৰুৱালোঁ,
ৰাজ্যভাৰ ত্যজি মযো আজি ব্ৰহ্মচাৰী।
আইসকলক শুধি চাওঁ, যদি কোনো মতে আজ্ঞা পাওঁ,
বিষময় ভৱসুখে দিওঁ জলাঞ্জলি॥
ৰাজ অলঙ্কাৰ ধনুৰ্ব্বান, এৰোঁ আজি সুবৰ্ণৰ যান,
ফল মূল খাই ফুৰোঁ ঘোৰ অৰণ্যত।

নতু গাণ্ডীবকে সাব কৰোঁ, প্ৰলয়ৰ অস্ত্ৰ গুণে ধৰোঁ,
নাশি বসুমতী শান্ত্বনা দিওঁ মনত॥

(ভদ্ৰ, বিভীষণ আৰু হনুমন্তৰ প্ৰবেশ)

বিভীষণ—প্ৰভু! সকলো সম্বাদ পালোঁ। কি কৰিব, বিধি বাদী হলে আৰু তাৰ ঔষধ নাই। কিন্তু এই বাবেই ইমান বেছিকৈ চিন্তা কৰা আপোনাৰ উচিৎ কাৰ্য্য হোৱা নাই। শত্ৰুক প্ৰাণান্তেও দমন কৰা ক্ষত্ৰিয়ৰ কাৰ্য্য। এতিয়া আপোনাৰ কৰ্ত্তব্য, অতি শীঘ্ৰে ভ্ৰাতৃহন্তাক সমুচিত দণ্ড দিয়া।

ভদ্ৰ—যথাৰ্থ কথা মহাৰাজ! আপুনি হেন মহা পুৰুষে কি কৰ্ত্তব্যত পাছ ভৰি কৰা উচিত? কাৰ্য্যত এবাৰ হাত দি পুনৰ এৰাটো অতি সামান্য মানুহৰ কাৰ্য্য। অশ্বমেধ যজ্ঞ সমাপন হব নোৱাৰিলে যে সূৰ্য্যবংশত চিৰ কাললৈ এটা অখ্যাতি থাকিব।

ৰাম—সচাঁ কথা; কিন্তু মনেকি মানে?

ভ্ৰাতৃস্নেহ সংসাৰত অতি বলৱান।
যেতিয়া শুনিলোঁ মই,
চেনেহৰ ভ্ৰাতৃত্ৰয়
নিধন ৰণত;
কত যে ভাবিলোঁ মই
থিৰ হম বুলি,
থিৰ হব নোৱাৰিলোঁ,
আকাশী ম্বৰগ ভাগি পৰিল মূৰত।

উথলিল শোক-সিন্ধু,
বৰুণ আশ্ৰয়ে তুলি গিৰি সম ঢৌ.
শ্ৰীৰামৰ মন-তৰী পৰিল মাজতে তাৰ।
গুৰিয়ালে দেখিয়ে বিহ্বল,
এৰি দিলে গুৰিৰ ঠাঁ।

বিভীষণ—অৱশ্যে হব। এক ঔৰষজাত ভাই। সংসাৰত যাৰে সৈতে আপোন বুলি লগ বান্ধি থকা হয়. এনে ভ্ৰাতৃৰ বিয়োগ সম্বাদত সংসাৰী অৱশ্যেই বিচলিত হব। এতিয়া প্ৰভু! সেইবিলাক কথাত ধৰি থকা আপোনাৰ কৰ্ত্তব্য নহয়। ক্ষত্ৰিয়ৰ কাৰ্য্য কৰাত আজি আপোনাৰ ইমান অৱহেলা কিয়? আপোনৰে গাত আজি ক্ষত্ৰিয়ৰ তেজ নোহোৱা হল নে কি?

ৰাম—মান্ধাতাৰ নাতি মই, দশৰথাত্মজ,
নইও ক্ষত্ৰিয় মই?
সূৰ্য্য বংশে জন্ম মোৰ, কৌশল্যাত জাত,
নহওঁ ক্ষত্ৰিয় মই?
ৰামচন্দ্ৰ নাম মোৰ, গাণ্ডীৱ হাতত,
নহওঁ ক্ষত্ৰিয় মই?
অযোধ্যাৰ ৰজা, ভাই লক্ষ্মণ ভৰত,
নহওঁ ক্ষত্ৰিয় মই?
হনুমান!

হনুমান—(জাপমাৰি ওচৰ চাপি কৰ যোৰে)
চিৰদাসে অপেক্ষিছে আজ্ঞা নাথ!

ৰাম—য'তে আছে সেনাপতি,
যোৱাঁ তীব্ৰবেগে ;
কোৱাঁগৈ,
কুৰি অক্ষৌহিনী সেনা
সাজোক নিমেষে।
অশ্বাৰোহী, গজাৰোহী, সেনানী সমস্ত,
সাজি ৰণ সাজে শীঘ্ৰে
আহক ওলাই।
হনুমান—শীৰোধাৰ্য্য নাথৰ আদেশ।

(প্ৰণিপাত পূৰ্ব্বক নিষ্ক্ৰমণ)

ৰাম—এই মই গাণ্ডীৱক চুম্বিলোঁ সাদৰে,
দেখুৱাম ৰঘুৱৰে কত বল ধৰে।
আজি মোৰ শত্ৰু যদি স্বয়ং বিধাতা হয়,
তাকো লণ্ড ভণ্ড মই অৱশ্যে কৰিম।

(নেপথ্যে গীত বাদ্য)

নাথাবাহে ৰঘুবৰ, তিথি আজি ভয়ঙ্কৰ,
কুক্ষণত যুদ্ধ যাত্ৰা পণ্ডিতে নকয়।
এৰা ৰাগ শোক তাপ, এৰা ভীম বীৰ দাপ,
নতু যুদ্ধে পৰাজয় নিশ্চয় নিশ্চয়।
ৰণ সাজ এৰি থোৱাঁ, ৰাজ দণ্ড হাতে লোৱাঁ,
সুকলমে ৰাজ কাৰ্য্য কৰা দয়াময়।

ৰাম—হৰইতো। আজি মই ৰতবিলাক অশুভ লক্ষণ দেখিব লাগিছোঁ, তাৰ বিষময় ফল অৱশ্যে হাতে হাতে পামেই, বাঁও চকুতো

লভিবই। ইন্দ্ৰজিৎ বিজেতা লক্ষ্মণ, মহাবীৰ ভৰত আৰু লৱন নিধনকাৰী শত্ৰুনিস্দন শত্ৰুঘ্নক যি অলপ অলপ সময়ৰ যুদ্ধতে নিধন কৰিব পাৰিছে, সি কি আৰু সমান্য বীৰ? হয় বিধাতা নিজেই মোৰ যজ্ঞ নষ্টৰ নিমিত্তে অৱতাৰ হৈছে, নহয় কোনো ৰাক্ষসে দেৱতাৰ বৰত বলীষ্ঠ হৈ এই পাপ কাৰ্য্য সাধন কৰিছে। যাক যেয়েই বা নহওক, শত্ৰু বলৱান দেখি যুদ্ধৰ পৰা ক্ষান্ত পোৱা কাৰ্য্য মোৰ দ্বাৰাই হব নোৱাৰে। অৱশ্যে যুদ্ধ কৰিম, প্ৰাণপনে যুদ্ধ কৰিম। শৰ শিক্ষা সাৰ্থক কৰিম। অক্ষয় তূণৰ প্ৰমাণ চাম। ব্ৰহ্মাস্ত্ৰ দেৱাস্ত্ৰ বিষ্ণু অস্ত্ৰ আদি মহা মহা অস্ত্ৰবিলাক পৰীক্ষা কৰিম। অৱশেষত নোৱাৰিলে ক্ষত্ৰিয়ৰ সাহেৰে শত্ৰুৰ শৰত প্ৰাণ সমৰ্পণ কৰিম। সেই বুলিয়েই কি পৰাধীন বা ভিৰুতাৰ দৰে বলীষ্ঠ শত্ৰু দেখি নিজৰ অমূল্য গৌৰব ভস্মীভূত হবলৈ দিম? নহয় সি কথা কোনোমতেই হব নোৱাৰিব। (ৰণবাদ্য শুনি) এই সৈন্যদল প্ৰস্তুত! ছিঃ! অতি সামান্য সৈন্যবিলাকৰ মনতো ৰণ-জেউতি লাগিছে। সিহঁতেও প্ৰাণভয় চেৰ কৰি শত্ৰুৰ বিপক্ষে যুদ্ধ কৰিবলৈ সাজপাৰ কৰিছে। সমস্ত অযোধ্যাবাসী আজি যুদ্ধ কৰিবলৈ প্ৰস্তুত। কেৱল মই মাত্ৰ নিশ্চেষ্ট। ধিক মোৰ জীৱন! ধিক মোৰ বাহুবল!!

ধিক মোৰ ৰাম নাম!!!
বীৰকুলে জন্ম ধৰি,
বীৰ বেশ কৰি,

মিছাতেই আছোঁ মই।
অযোধ্যাত আজি যুদ্ধৰ ঘোষণা;
শত্রু ভয়ে ভীত অযোধ্যাৰ ৰজা,
ধিক এনে ৰজা !
যুদ্ধ ভীৰু ৰজা !
এই তীক্ষ্ণ তৰবাৰি, এই তীক্ষ্ণ শৰ,
নিশ্চয় নিজৰ বক্ষে কৰিম প্ৰহাৰ,
যদি নকৰোঁ সমৰ।
সোৱা, আহিছে সেনা,
বাজিছে বাজানা,
সকলো উন্মত্ত ৰণ ৰণ কৈ;
এতিয়াও সাজোঁ মই,
লওঁ ধনুৰ্ব্বান,
নিশিত কৃপাণ,
কৰোঁগৈ যুদ্ধ ভীম পৰাক্ৰমে।

সুগ্ৰীৱ—প্ৰভুৰ অনুগ্ৰহ হলে অধীন সুগ্ৰীৱেও প্ৰভুৰ লগতে যুদ্ধ যাত্ৰা কৰিবৰ ইচ্ছা কৰিছিল।

ৰাম—যদি একান্তই ইচ্ছা হৈছে ওলাওক।

বিভীষণ—প্ৰভু ! আমাৰ ওপৰতো যেন এনে অনুগ্ৰহ দেখুৱা হয়।

হনুমান—প্ৰভু ! দাসো যুদ্ধলৈ যাব খুজিছিল।

ৰাম—যাৰ ইচ্ছা হয় ওলাব পাৰে, কিন্তু ৰাজ্য বীৰ শূন্য হব নালাগে।

PLEASE HANDLE THE BOOK CAREFULLY

সুমন্ত্ৰৰ প্ৰবেশ।

সুমন্ত্ৰ—(প্ৰণিপাত পূৰ্ব্বক) প্ৰভু! ত্বযুৰণ যাত্ৰা হেতু অশ্বচয় সংযোজিত ৰথে।

ৰাম—সুমন্ত্ৰ! অলপ অপেক্ষা কৰা। শীঘ্ৰে মই নমি আইৰ পাদ যুগ, যাত্ৰাৰ অশুভ যত নাশ কৰি আহোঁ।

(নিষ্ক্ৰমণ)

(এদল স্ত্ৰী, আৰু এদল পুৰুষৰ প্ৰবেশ আৰু উভয় দলৰে মুক্তস্বৰে বিবাদ)

স্ত্ৰীদল—আমি ৰজাৰ কাজত, মৰিম ৰণত বীৰ ৰমণী;

পুঃদল—তইঁত থাক গৈ ঘৰত, মতাৰ কামত, কিয় কুৰ আগ নুগুণি।

স্ত্ৰীদল—ধিক্ এনে মতা, নাক কটা, যুদ্ধ দেখি এৰে ৰজা;

পুঃ দল—আমি নেৰোঁ ৰজা, নিজেই ৰজাই লয় বাচি বীৰ তেজা তেজা।

স্ত্ৰীদল—নালাগে নালাগে কথাৰে ভোহাৰ,

পুঃ দল—লাগিব লাগিব কথাৰেই ভুলাব,

স্ত্ৰীদল—যাম আমি, যাম আমি, যোৱাহঁগৈ উভতি;

পুঃ দল—আমিও যাম, আমিও যাম, নেযাওঁগৈ উভতি।

উভয় দল—(দেওমাৰি দেওমাৰি)

তেন্তে সবে মিলি, অস্ত্ৰ তুলি,
যাওঁ ব'লাহে যুদ্ধলৈ।
ৰজা ৰাম আমাৰ দয়াৰ আধাৰ,
তেওঁৰ কাৰ্য্যত প্ৰাণ এৰোঁগৈ।

(শ্ৰীৰামচন্দ্ৰৰ পুনৰ প্ৰবেশ)

ৰাম—পুত্ৰ সম
প্ৰিয় প্ৰজাবৰ্গ মোৰ!
প্ৰবেশি দাৰুণ সেই
ৰণক্ষেত্ৰ মাজে, কিয়
উৎসৰ্গিবা প্ৰাণ,
অকৃতজ্ঞ কুলাঙ্গাৰ
শ্ৰীৰামচন্দ্ৰৰ
স্নেহ বিনিময়ে ?
তোমাসাৰ আৱশ্যক নাই।
যাম মই লক্ষ লক্ষ
মদ মত্ত বীৰ সনে।

(সুগ্ৰীৱৰ প্ৰতি)

প্ৰিয় সখা!
বা—মাৰুতীৰ দৰে,
নাচি নাচি
আহিল বাহিনী ৰণে।
সুমন্ত্ৰই অপেক্ষিছে ৰথ লৈ।
ইসময়ে কৰোক নিৰ্ব্বিঘ্নে,
যাত্ৰাৰ মঙ্গল ক্ৰিয়া।

পঞ্চম অঙ্ক।

প্ৰথম গৰ্ভাঙ্ক।

দৃশ্য—বাল্মীকিৰ তপোৱন।

বিস্তীৰ্ণ পথাৰ, অসংখ্য মৃত দেহ, গছৰ তলত যজ্ঞাশ্ব আবদ্ধ।

শ্ৰীৰামচন্দ্ৰৰ সসৈন্যে প্ৰবেশ আৰু যুদ্ধক্ষেত্ৰ দৰ্শন।

ৰাম—ক'তা, । শত্ৰুক'তা? আমাৰ যজ্ঞাশ্ব সৌটিয়েই হব পায়। হায়! মোৰ চেনেহৰ বোপাহতে ইয়াতে ভৰলীলা সাঙ্গ কৰিলেহি। এই সুবিস্তৃত পথাৰৰ নো গৰাকী কোন? কোন পাষাণ্ডই নো ৰঘুবংশ নিৰ্ম্মূল কৰিবৰ মনেৰে প্ৰতিজ্ঞা কৰি এই পথাৰত খোপনি পিটিছে? শত্ৰু দৰ্শনৰ ইচ্ছা দেখোঁ বৰ প্ৰবল হৈ উঠিল।

হনুমান—প্ৰভু! সি কি আৰু লঙ্কাৰ ৰাৱন? চলৃবাঙ্ক চাই এঁকোৰ মাৰিলে, এতিয়া প্ৰভু অহাৰ গম পাই পৰ্ব্বতৰ গুহা আশ্ৰয় কৰিলে। এইবোৰ হৈছে পলবীয়া বীৰ।

ৰাম—সি কথা হব নোৱাৰে। ৰাৰু দেখা যাওক, অলপতে প্ৰমাণ পাবা। সুগ্ৰীৱ সখি! আপুনি ডাঙৰ কৈ এটা বীৰৰ গোঁজৰণি মাৰক আৰু দুটা মান পদাতিয়ে ঘোৰা মোকোলাই আনক গৈ।

হনুমান—প্ৰভু! ময়েছোন ঘোৰা আনিবলৈ যাওঁ?

ৰাম। বাৰু, যাব পাৰা।

হনুমান—ভাল প্ৰভু! মই এতিয়াই ঘোৰা লৈ আহিম গৈ।

(হনুমানৰ প্ৰস্থান, ইতাৱসবে সুগ্ৰীৱৰ সিংহনাদ
আৰু সৈন্যৰ ৰণ বাদ্য ধ্বনি)

(সুগ্ৰীৱৰ সিংহনাদ।)

ক'ত ৰঘুকুল অৰি, ভীৰু পলাতক!
আহ, আহ, ৰণক্ষেত্ৰে, অশ্বসমে।
অতীতৰ অনুতাপ কৰ,
ক্ষমা মাগি দয়ালু ৰাঘৱ পদে।

(লৱকুশৰ প্ৰবেশ।)

লৱ—ভাই কুশি, এই বাৰ চা। হে প্ৰভু! গোটেইখন ভৰি আহিছে।

(লৱ আৰু কুশৰ সশস্ত্ৰে গীত।)

জলধি সদৃশ হেৰা, হেৰা নয়নে;
হেৰা হেৰা বিশ্ববাসী, হেৰা সঘনে।
ৰাক্ষস বানৰ নৰ, ঘোৰা হাতী ৰথে,
পদাতিৰ পদভৰে বসুমতী ত্ৰাসে।

কুশ—অ, ককাইদেউ, সোৱা দেখোঁ কোনোবাই আমাৰ ঘোৰা মোকোলাইছে গৈ।

লৱ—আহ, আহ, আহ। (লৱালৰিকৈ নিষ্ক্ৰমণ)

(হনুৰ প্ৰবেশ।)

হনু—প্ৰভু! (হেঁফাই কোপাই) ক'ৰবাৰ ল'ৰা এহাল গৈ ঘোৰা মোকোলাবলৈ নিষেধ কৰিলে। যদি প্ৰভুৰ আদেশ হয়, তেন্তে মোৰ লগত যোৱা কেইজনক বলেৰে মোকোলাই আনিবলৈ কৈ দিওঁ।

ৰাম—(সুগ্ৰীৱৰ প্ৰতি) সখা! শুনিলে? এইয়ে যুদ্ধৰ সূত্ৰপাত। আজি আমাৰ ভাগ্যত কি আছে তাক কোনে জানে? কি কৰোঁ?

সুগ্ৰীৱ—কৰ্ত্তব্যৰ বাটত আগ বাঢ়ক।

ৰাম—সচাঁ কথা। হনু? তুমি ঘোৰা আনিবলৈ কোৱাঁ?

হনু—(বিংমাৰি) অযোধ্যাৰ মহাৰাজৰ আদেশ, যজ্ঞৰ ঘোৰা শীঘ্ৰে মোকোলাই আনিব লাগে।

কুশ—অযোধ্যাৰ মহাৰাজৰ আদেশ ইয়াৰ পশু পক্ষীয়েও নামানে। সম্মুখ যুদ্ধত শত্ৰুক পৰাস্ত কৰি নিজৰ আজ্ঞা বলৱতী কৰক।

ৰাম—সখা! শুনিলে নে? আঠু-কঢ়া লৰা দুটাৰ ইমান উভতি! প্ৰথমে সন্ধি স্থাপনৰেই উপায় কৰা হওক। হনু! কৈ দিয়াঁ যে, মহাৰাজে অসমানৰ লগত যুদ্ধ কৰিবলৈ ভাল নাপায়।

হনু—নিৰ্দ্দোষী, অসমৰ্থ, শৰণাগত, বা অসমানৰ লগত যুদ্ধ কৰা আমাৰ মহাৰাজৰ ৰীতি নহয়।

কুশ—তোৰ মহাৰাজক কৈ দে "আমি নিৰ্দ্দোষী নহওঁ, অসমৰ্থ নহওঁ, শৰণাগত নহওঁ, বা অসমানো নহওঁ"। আমাৰ কাষত মিতিৰালি নাখাটে। (লৱৰ কাণে উভতি চাই) যুদ্ধও নাই, ঘোৰাও নাই। বিনা যুদ্ধে ঘোৰা?—সি কথা নহয়, নহয়, নহয়।

হনু। (সগৰ্ব্বে) মহাৰাজে যুদ্ধ কৰিলেকি জীয়াই থাকিবলৈ আশা কৰ?

কুশ—তোৰ মহাৰাজক মই এহেজাৰ বাৰ বাঁও ভৰিৰ আঙ্গুলি দেখাই কৈছোঁ শীঘ্রে যুদ্ধ কৰক, এচরু ভাতৰ এটা পিতিকিলেই চিন্। ভায়েকহঁতেই বীৰত্বৰ যথেষ্ট প্রমণদি গৈছে।

হনু—পাষণ্ড! ইমান সাহ? মোৰ সাক্ষাতে প্রভুৰ নিন্দা? বাৰু দেখ। (ভীষণ মুষ্ঠী ধাৰণ কৰি কুশৰ কাণে খেদামাৰে)।

(লৱ আৰু কুশ দুয়ো আকোলাআকোলিকৈ)

কুশ—ককাইদেউ খালে!

লৱ—মা জানকী, ৰক্ষা কৰা!

হনু—হায়! আজি দেখোঁ সর্ব্বনাশৰ উপায় চিন্তিছিলোঁ। এই দুটি নিশ্চয় মা জানকীৰ সন্তান, নতুবা আন দেৱ দেৱীৰ নাম নলৈ বনবাসিনী আইৰ নাম ল'ব কিয়? আই? আজি দাসক তুমিহে ৰক্ষা কৰিলা। তুমি এই ল'ৰা হালিকে বুকত বান্ধি লৈ বনবাসৰ অসীম দুখ পাইছিা, আজি মই তাৰে বিৰোধী হৈছিলোঁ। প্রাণ এই দেহত থাকে মানে হনুমে, তেওঁৰ চিৰদাসে, কেতিয়াও জন্ম জন্মান্তৰেও এনে কামত হাত দিব নোৱাৰিব। বাৰু ভালেই হে হৈছে। ল'ৰা দুটিয়ে তো ভয় খালেই, এতিয়া মই সহজে ঘোৰা মোকোলাই আনি প্রভু ৰামৰ কার্য্য সাধিব পাৰিম। সিহঁতে যে আকৌ মোৰ ওচৰ চাপিবহি এনে আশা কম।

(ঘোৰাৰ লেজুত ধৰেগৈ)

কুশ—সামান্য বানৰ! কি কৰ? যি ঘোৰা ৰঘুকুলৰ যুবৰাজ লক্ষ্মণ সদৃশ বীৰেও মোকোলাব নোৱাৰিলে, সেই ঘোৰা

কি এটা সামান্য বান্দৰে মোকোলাবি? দেখ, এই শৰ যুৰিলোঁ, তোক কাৰ বাপে ৰক্ষা কৰে?

(শৰ প্ৰহাৰ)

হনু—(এচাৰ খাই পৰি) ধন্য মা জানকীৰ সন্তান! উঃ! কি বিশাল শৰ! মোৰ প্ৰাণ যেন উৰি যায়! সমস্ত শৰীৰ অবশ হল। বৰ পিয়াহ লাগিছে, এটুপি পানী খাওঁ।

লৱ—দেখিলি নে অযোধ্যাৰ গপাল নৃপতি!

এপাত শৰতে তোৰ
ভীমকায় বানবৰ
ভীমাকাৰ দেহ লোটে
ধৰণী ওপৰে।
কৰিবি নে যুদ্ধ আৰু নতু ফিৰি যাবি?
অশ্বমোচনৰ আশা পৰিহাৰ কৰ,
অযোধ্যাত ৰাজ্য ভোগ কৰ বঙ্গ মনে।

ৰাম—হনুবধে ৰাম বধ নহয় নহয়,
ৰঘুনাথ নহয় শত্ৰুঘ্ন, বীৰ লক্ষ্মণ, ভৰত।
দেখিলি নে?
একে একে সকলোৱে প্ৰাণ বিসৰ্জন দিলে;
নপলাল প্ৰাণ ভয়ে ৰঘুকুল বীৰ,
আজি ৰঘুনাথে জানো সামান্য প্ৰাণৰ ভয়ে,
নিষ্কলঙ্ক ৰঘুবংশ মলিন কৰিব?
পালি ক্ষত্ৰি ধৰ্ম্ম আজি যুদ্ধ কৰিবৰ মনে,
বাহিৰিলোঁ সৈন্য সনে, পুনু ফিৰি যাম?

নাভাবিবি মনে কথা; কিন্তু এটি কথা,
পৰিচয় তইতৰ শুধিব খুজিলোঁ,
আকৃতি প্ৰকৃতি দেখি, সীতাৰ তনয় বুলি,
বিশ্বাস মনত মোৰ,—
মই সীতানাথ।
এয়ে যদি সঁচা হয়, এবাৰ কোলাত লৈ,
সুমুৱাওঁ শোক-বহ্নি,
আহিবা নে চাপি?
লব—ধিক্ ৰঘুপতি ধিক্, আমি বাৰম্বাৰ;
সমুখ যুদ্ধত আহি পাতিছ মিতালি,
কোনে জানে ৰঘুপতি জানকীৰ পতি?
সীতা কানন বাসিনী,
ৰঘুনাথ অযোধ্যাৰ নাথ।
দুখুনীৰ পুত্ৰ আমি, মোহোঁ যুবৰাজ,
বাল্মীকিৰ শিষ্য।
কাপুৰুষ ৰামে সৈতে সম্বন্ধই নাই।
আৰু বাৰ কৰ যদি, আমি তোৰ পুত্ৰ,
তীক্ষ্ণ শৰে কণ্ঠচ্ছেদ কৰিম নিশ্চয়।
ৰাম—অধম শৃগাল!
কাক কাপুৰুষ বোল?
কোনে যুদ্ধ ভয়ে আহি মিতালি পাতিছে?
যুদ্ধ ভীৰু ৰঘুনাথ? বিজয় জগতে।
স্বৰ্ণ লঙ্কা ছাৰখাৰ কৰিব পাৰিলে,

খৰ দুষণৰ প্ৰাণ যি ৰামে বধিলে,
দৈত্য নাশি ব্ৰাহ্মণৰ যজ্ঞ ৰাখি দিলে,
বালী বধি সুগ্ৰীৱক পাটত থাপিলে,
সেই ৰাম কাপুৰুষ ?
শক্তিশেল সমবাক্য উচ্চাৰিলি নৰাধম !
নাজান ৰামৰ বান কালান্তক সম ?
পুত্ৰহে নালাগে যদি স্বয়ং জানকী আহি
কৰেহি সমৰ, শৰে কৰিম নিধন।
এই গাণ্ডীৱত গুণ দিলোঁ মহাবলে ;
হলাহল অস্ত্ৰ লৈ সন্ধান পূৰিলোঁ। (অস্ত্ৰ প্ৰহাৰ)

সুগ্ৰীৱ—সকলো সেনাই ল'ৰাহালক বেৰি ধৰ,

লৱ—ব্যোম পথ ৰুদ্ধ কৰি প্ৰহাৰিলোঁ অস্ত্ৰ এই ;
কাটি তোৰ ক্ষুদ্ৰ অস্ত্ৰ উভতি আহিব।
(আকাশ পথত দুই পাত অস্ত্ৰৰ কটাকটি)
উলিয়ালোঁ অস্ত্ৰ ভয়ঙ্কৰ ;
সমস্ত সেনাক এয়ে নিপাত কৰিব।

ৰাম—উঃ কি আচৰিত শিক্ষা ! মোৰ সুৰটো আজি ইমানকৈ বুৰাইছে কিয় ? সমুখ যুদ্ধত মানুহৰ মনৰ গতি এনে হলে যে যুদ্ধত পৰাজয়, তাত সন্দেহ নাই। ভৃগুৰ পৰা অস্ত্ৰ বাচি মোৰা শক্তিয়েই লেখোঁ লোপ পাব লগা হল !

(লৱৰ অস্ত্ৰ প্ৰহাৰ)

মোৰা, শাৰঙৰ অস্ত্ৰ সৈন্যবিনাশকৰ ফালেহে নাচি নাচি আহিছে। ৰঘুনাথ মো আজি নিজ সৈন্য ৰক্ষা কৰিব-

লৈকো অক্ষম হল নে? বারু, (তূণৰ পৰা অস্ত্র উলিয়াই) দেখা যাওক। (লবৰ প্ৰতি) এই অস্ত্রে অস্ত্র তোৰ বাটতে কাটিব। (ৰামৰ অস্ত্র কাটি লবৰ অস্ত্রই সমস্ত সৈন্য ধৰাশায়ী কৰে)

সৈন্যদল—(সুগ্রীৱ আদি কৰি) পানী-পা-নী-পা—।

কুশ—বেৰাপাক অস্ত্র এই পালোঁ বাচি বাচি,
ইয়াৰে শ্ৰীৰামৰ মহতালি ভাঙো।

(নিজৰ মৃত্যু অস্ত্র দেখি শ্ৰীৰামৰ শোক)।

বিলাপ।

যজ্ঞৰ সুফল আজি লভিলোঁ বিধাতা।
ক'ত কোশল্যা কৈকেয়ী সুমিত্ৰা মাতা॥
কত বীৰ ঘটুৱালোঁ, কত ৰাজ্য জয় কৈলোঁ,
শুনা আজি সকলোৱে ৰাম বধ বাৰ্ত্তা॥
কুশে যি অস্ত্র ধৰিছে, সূৰ্য্যসম জিলিকিছে,
শ্ৰীৰামৰ মৃত্যু অস্ত্র দেখাহে প্ৰচেতা॥

কুশ—নৰাধম, কাপুৰুষ, অযোধ্যাৰ নাথ!
মৃত্যু অস্ত্র দেখি কিয় কান্দিছ কাতৰে?
কাৰ স্নেহ আকৰ্ষিব ভীৰুৰ কান্দোনে?
নিঃসহায় আজি তই ৰণ ক্ষেত্ৰ মাজে।
ইষ্ট দেৱতাক তই সুমৰি এবাৰ,
জমালয় যাত্ৰা কৰ।

ৰাম—আজিৰ দিন বৰ ভয়ানক! আজি মোৰ মৃত্যু নিশ্চয়। অক্ষয় তূণ, গাণ্ডীৱ ধনু! তূণত আজি অস্ত্র নাই, ধনুত আজি

বল নাই, মূৰত আজি বুদ্ধি নাই, বাহুত আজি শক্তি নাই! হে ৰণৰঙ্গিনী! তুমি যে আজি শ্ৰীৰামৰ প্ৰতি বিমুখ, তাক শ্ৰীৰামে ভালকৈ বুজিছে। এতিয়াও এতিয়াও চাওঁ, এতিয়াও যুদ্ধ কৰোঁ, শত্ৰুৰ ভয়ানক মুখলৈ এতিয়াও বীৰ তেজেৰেই চায়। বাৰু, তূণত নো আৰু অস্ত্ৰ নাই নে? (তূণৰ পৰা অস্ত্ৰ উলিয়াই) কিয় নাপায়? হায়, অক্ষয় তূণ! তই এই যমালয়যাত্ৰী ৰামক এতিয়াও এই মুহূৰ্ত্ততো সহায় কৰিছ! মাৰি চাওঁ, মাৰি চাওঁ! সৌৱা কুশৰ অস্ত্ৰ কৰাল মূৰ্ত্তি ধৰি আহিল। এতিয়াও এবাৰ মাৰি চাওঁ। (অস্ত্ৰ প্ৰহাৰ)

(ৰামৰ অস্ত্ৰ কাটি কুশৰ অস্ত্ৰ ৰামৰ হৃদয়ত প্ৰবেশ)

ৰাম—(অচেতন হৈ পৰি) পানী, পানী—পা—নী!

কুশ—ককাইদেউ! শত্ৰু শেষ হল। এতিয়া আমি ঘোৰা লৈ আইৰ ওচৰলৈ যাওঁ ব'লা।

লব—ব'ল যাওঁ।

কুশ—(হনুক ওচৰত পৰি থকা দেখি) ককাইদেউ! মই ধেমালী কৰিবলৈ এই বান্দৰটোও লৈ যাওঁ দেই?

লব—পাৰ যদি ল। মই হলে ৰামৰ গাৰ অলঙ্কাৰবিলাক হে লম। (অলঙ্কাৰ খহাই লয়) বান্দৰটো ঘোৰাৰ ওপৰতে পেলাই দে।

কুশ—ঠিক কথা। (হনুৰ গাত ধৰি) বান্দৰ! কল খাবি? ঘোৰাত উঠিবি?

দ্বিতীয় গৰ্ভাঙ্ক।

দৃশ্য—জানকীৰ কুটীৰ।

একাকিনী জানকী উপবিষ্টা।

জানকী—বেলি প্ৰায় দুপৰ হলহি। এতিয়াও দুখুনীৰ ধন দুখ নাপালেহি। আই দুৰ্গা! পাপিনীৰ সন্তান দুটিক যেন সদাই কুশলে ৰক্ষা কৰে।

বিলাপ।

জনক দুহিতা, অভাগিনী সীতা,
স্বামীৰ চকুৰ কূটা;
চিৰকালে মই কানন বাসিনী,
বনবাসী মোৰ সখা।
লৱ কুশ মোৰ জীৱনৰ ধন,
বুকে বান্ধি আছোঁ পৰি;
হে দুৰ্গা আই, কৃপা দৰশাই,
ৰাখিবা চৰণে ধৰি।

(থিয় হবৰ উপক্ৰম) সৌ দুটি নো কোন? মোৰ জীৱনৰ ধন লৱ কুশেই হব পায়। বাৰু ক্ষণেক চাওঁছোন।

(লৱ কুশৰ প্ৰবেশ)

দুখুনীৰ ধন আহিলা? মই তোমালোকৰ নিমিত্তে কত চিন্তা কৰি আছোঁ। মোৰ সোণহঁত দুয়ো দেখোঁ আজি ঘামিজামি আহিছা?

কুশ—আই, আই, আই, আমি আজি খুব যুদ্ধ কৰিলোঁ নহয়।

লব—এবা আই! আজি বাতি পুৱাবে পৰা ভালকৈয়ে খেমালি এখান কৰিলোঁ।

সীতা—(লব কুশক কোলাত তুলি লৈ) কাৰে সৈতে মোৰ সোণ? কোন নৰঘাতীয়ে নো দুখুনীৰ পোনা দুটিৰে যুদ্ধ পাতিছিলহি?

কুশ—সেইপাত হনু কৰবাৰ ৰাম। বৰ বীৰপাতৰ চিন পালোঁ।

সীতা—(আচৰিত হৈ) কোন ৰাম? কৰ মানুহ?

কুশ—জানো কৰ ৰাম। কওঁতে ৰজা বুলি কয়; সিফালে আকৌ যুদ্ধ কৰোঁতে কান্দে।

লব —অযোধ্যাৰ ৰজা বুলি কৈছিল।

কুশ—নহয় ককাইদেউ! সম্বন্ধ লগোৱাটো কথা আইৰ আগত নো-কোৱা কিয়? (মাকৰ থুতৰিত ধৰি) চোৰাঁচোন আই! সেইপাতে আকৌ মোক কয়, "কুশ! এবাৰ কোলাত লওঁ আহিবি নে?" মই ধৰি গালি পাৰি দিলোঁ।

সীতা—(লব কুশক কোলাৰ পৰা নমাই) কিহৰ নিমিত্তে যুদ্ধ হল?

লব—ৰামে হেনু অশ্বমেধ যজ্ঞ পাতিছিল। তাৰে বাবে দিগ্বিজয়াৰ্থে ঘোৰা এটা মেলিছিল। লক্ষ্মণ নামে এটা ঘোৰাৰ ৰক্ষক স্বৰূপে আহিছিল। আমি দুয়ো তপোবনত ওমলোঁতে খেমালি কৰিবৰ মনেৰে ঘোৰাটো ধৰিলোঁ, পাছে সেই বাবেই লক্ষ্মণৰ লগত যুদ্ধ হয়। তাক মাৰিলোঁ। অলপ পাছতে ভৰত আৰু শত্ৰুঘ্ন নামে দুটা আহিল, সিহঁতকো মাৰিলোঁ। এইবাৰ ৰাম নিজেই আহিছিল, তাকো মাৰি ঘোৰা আনি সোৰা বান্ধি থৈছোঁহি আই!

কুশ—বান্দৰ এটাও ধৰিবলৈ আহিছোঁ নহয় আই! (বিহাৰ আচলত ধৰি আঁজুৰি আঁজুৰি আহাঁচোন আই! আঁহাচোন চোৱাঁহি।

সীতা—কি পাষণ্ডহঁত! কাক মৰাৰ বাতৰি লৈ আহিছ? বান্দৰটো ক'ত আছে?

(তিনিওৰো হনুৰ ওচৰত উপস্থিত।)

কুশ—(আঙ্গুলিয়াই) এইটো আই, এইটো। ধেমালি কৰিবলৈ ভাল হব নহয় নে?

লৱ—অ,আই! আৰু এটা বস্তু আছে। (চুৰিয়াৰ টোপোলাৰ পৰা উলিয়াই) এইয়া আই! আজিৰ পৰা আৰু তুমি আমাক বনফুলৰ মালা পিন্ধাই বেজাৰ কৰিব নালাগে।

সীতা—(টোপোলা মেলি চাই) পাষণ্ডহঁত! মোক বধ কৰিলি। আজিৰ পৰা মই অনাথিনী হলোঁ। পিতৃ বধ কৰি মোৰ আগত বৰাই কৰিবলৈ আহিছিলি! হায়! প্ৰাণনাথ! অযোধ্যাৰ ৰাজ অন্তঃপুৰ উদং কৰি অজি ক'ত বা বননিত পৰি আছেহি! যি মুকুট দেৱতায়ো চুৰ নোৱাৰিছিল,সেই মুকুট আজি হাতে হাতে বাগৰি ফুৰিছে। হনু! বোপা হনু! তুমি আজি মোক নামাতিবা নে কি? অশোক বনতো তুমি মোক শান্বনা দিছিলা, আজি মোক বিধবা দেখি তুমিও যে নমতা হ'লা! তোমাক দেখোঁ মই তাহানিয়েই অমৰ বৰ দিছিলোঁ, পাষণ্ডহঁতৰ শৰত তোমাৰো মৃত্যু হল নে?

হনু—(কেঁকাই কেঁকাই) আই! আপোনাৰ ভৃত্য মৰা নাই, কিন্তু শৰীৰ জৰ্জ্জৰিত। মাত মাতিবৰ সাধ্য নাই।

সীতা—(হনুৰ মূৰত হাত ফুৰাই) বোপা হনু! ঈশ্বৰে তোমাক সুস্থ কৰোক। প্ৰাণনাথৰ দৰ্শন লাভৰ ইচ্ছাই মোক সমূলি অধীৰা কৰিছে। এতিয়া মোৰ প্ৰাণনাথৰ ওচৰলৈ যাওঁ। লব কুশ! মোক শীঘ্ৰে প্ৰাণনাথৰ ওচৰলৈ লৈব'ল।

(প্ৰস্থান)

তৃতীয় গৰ্ভাঙ্ক।

দৃশ্য—ৰণ ক্ষেত্ৰ।

জানকী আৰু লব কুশৰ প্ৰবেশ।

জানকী। হে দাৰুণ বিধাতা! তোমাৰ লীলা অভেদ্য। তোমাৰ লীলাতেই বিস্তীৰ্ণ ৰণক্ষেত্ৰ আজি শ্মশানৰূপে পৰিণত হল। তোমাৰ লীলাতেই ৰাজাধিৰাজ অযোধ্যাৰ নাথ মোৰ প্ৰাণেশ্বৰ আজি এই শ্মশানত ধূলাৰে ধূসৰিত।

বিলাপ।

কিনো অপৰাধে, অভাগাৰ ভালে
বৈধব্য যন্ত্ৰণা লেখিলা হে বিধি?
সুকোমল দেহে, যদনি শোভিছে,
কোনে আনি দিব, ছুখনীৰ নিধি?

(লক্ষ্মণৰ মৃত দেহ দেখি) বোপা লক্ষ্মণ!

কত যতনেৰে,

কত উপায়েৰে,
ৰাখিলা বনত,
প্ৰহৰী ৰূপেৰে।
বধি ৰক্ষকুল,
মোকোলাই আনি,
সমৰ্পিলা প্ৰাণেশ্বৰৰ সমীপে।
পুত্ৰ জনমাই,
আজি তাৰে গুণ
সাধিলোঁ সোণাই,
স্নেহৰ দেৱৰ।
(শত্ৰুঘ্ন আৰু ভৰতৰ মৃত দেহ দেখি)
অযোধ্যা উদং কৰি,
বননিত পৰি,
কি কৰিছা চেনেহৰ
দেৱৰসকল?
(ৰামৰ ওচৰত বহি) প্ৰভু, জানকীনাথ!
দুৰ্ভাগীৰ প্ৰাণেশ্বৰ !!
একে ধুমুহাতে হায়!
ভাগিল আশাৰ ঘৰ।
প্ৰভু প্ৰভু প্ৰভুকৈ কত নো কান্দিম মই,
নেপাম নে সন্নিধান লাহৰি মুখৰ?
সোণাই সোণাইকৈ কথা এটি কবলৈ,
প্ৰেমপূৰ্ণ নেত্ৰে চাই কতনো ধেমালি কৰে;

এতিয়া হে নাথ দেখোঁ মাতকে নিদিয়ে মোক,
হেঁপাহৰ প্ৰণয়ৰ পৰিল নে ওৰ ?

বিলাপ।

দূৰ্ব্বাদল শ্যাম,পীতাম্বৰ ,
কেশৰী সদৃশ বক্ষস্থল,
ৰাবিজ লোচন, অধৰ ৰাতুল সম।
আজানুলম্বিত ভুজ যুগ,
ডম্বৰু সদৃশ মধ্যভাগ,
পদ্ম গন্ধী কেশ, দেহ অতি মনোৰম॥

ত্ৰৈলোক্য বিজয় ধনুৰ্দ্ধৰ,
প্ৰজা বন্ধু প্ৰভু নিৰন্তৰ,
কত শত ৰজা পদ তলে থাকে পৰি।
হেন প্ৰাণকান্ত বননিত,
ধূলায়ে শৰীৰ ধূসৰিত,
পৰি আছে হায় সীতাক বিধবা কৰি॥

উঠা, উঠা, উঠা প্ৰাণনাথ,
দুৰ্ভগা সীতাক দিয়াঁ মাত,
প্ৰিয়া প্ৰিয়া বুলি হিয়া মোৰ কৰা শান্ত।
নতু অগ্নি চিতা জ্বালি লওঁ,
প্ৰভুকো বুকতে বান্ধি লওঁ,
জাঁপ মাৰি তাতে, দুখৰ কৰোহোঁ অন্ত॥

(চিতা নিৰ্ম্মাণ।)

(জানকীৰ আঁচলত ধৰি আঠুকাঢ়ি লব আৰু কুশৰ বিলাপ।)

কি কাৰণে, বেজাৰ মনে,
চিতা সাজি প্ৰাণ এৰিব।
আই বিনে, ভূমণ্ডলে,
আমাক কোনে স্নেহ কৰিব ॥
অ আই ৰজাৰ ৰাণী,
লব কুশৰ জননী,
আই মৰিলে কান্দিব লৰাই,
চকুৰ পানী কোনে মচি দিব !
লৰা পেলাই প্ৰাণ এৰিব,
কোলাৰ লৰা ক'ত থাকিব,
পিন্ধাই বন ফুলৰ মালা,
কেনে নো আমাৰ ৰঙ চাব !

কুশ—আই ! যদি সচাঁকৈয়ে আপুনি মৰে, তেন্তে পিতৃবধ পাতক ডিঙিত বান্ধি লৈ আমাৰ নো আৰু জীয়াই থাকিবৰ সকাম কি ?

লব—আমিও মৰোঁ।

(লব আৰু কুশৰ চিতাৰ নিমিত্তে খৰি কাঠ সংগ্ৰহ)

জানকী—লব ! তই একুৰা জুই আনি দে।

(লব লব মাৰি জুই আনে গৈ)

(যোৰ হাতে চিতাৰ কাষত ঠিয় হৈ)

হে অগ্নিদেব !
বৈধব্য যন্ত্ৰণা,

নৰ্কৰ উপমা,
এনে নৰ্ক ভোগ
নালাগে মোক।
কৰাঁ অনুগ্ৰহ,
চিতাত আগ্ৰহ
প্ৰদৰ্শাবা আজি,
অসীম ভোক।
(ৰামৰ মৃত দেহ চিতাৰ দাঁতিত থৈ)

প্ৰাণনাথ!

অশ্বমেধ যজ্ঞ আজি ৰণ ক্ষেত্ৰ মাজে।
পাপিনীক নকৰিব ঘিণ?
হুতাশনে বিসৰ্জ্জন
দিওঁ আজি প্ৰাণ,
বুকে বান্ধি শ্ৰীচৰণ,

(চিতা প্ৰদক্ষিণ)

১। ৰাম ৰাজে জানকীৰ আন গুৰু নাই,
সপোনে সচিতে সদা ৰামকে ধিয়াই,
যদি সচা শ্ৰীৰামেই সীতাৰ ঈশ্বৰ,
সন্নিহিত হোৱা যজ্ঞে, নমো যজ্ঞেশ্বৰ।
২। শয়নে ভোজনে ৰাম, উঠোঁতে বহোঁতে
খাওঁতে শোওঁতে ৰাম, উপাসনা কৰোঁতে
ৰাম গতি, ৰাম মুক্তি, ৰাম চৰাচৰ,
সন্নিহিত হোৱাঁ যজ্ঞে, নমো যজ্ঞেশ্বৰ।

৩। জনমে জনমে ৰাম জানকীৰ পতি,
ৰাম বিনে জানকীৰ নাই আন গতি,
সদায় লগাম বহি অধৰে অধৰ,
সন্নিহিত হোৱাঁ যজ্ঞে, নমো যজ্ঞেশ্বৰ ।

৪। ৰাম পদ সেৱা কৰি আনন্দে থাকিম,
ইহকাল পৰকালে আন নাজানিম,
ৰাম চিন্তামণি মোৰ নিষ্পাপ মনৰ,
সন্নিহিত হোৱাঁ যজ্ঞে, নমো যজ্ঞেশ্বৰ ।

৫। সস্ত্ৰীক ৰামৰ আজি মৃত দেহ লোৱাঁ,
হুতাশন দ্বিগুণিত প্ৰজ্জ্বলিত হোৱাঁ,
শৱ দাহ হৌক আজি জানকী ৰামৰ,
কৰাঁ অনুগ্ৰহ নমো নমো যজ্ঞেশ্বৰ ।

৬। মিনতি কৰিছোঁ আজি কাতৰ মনেৰে,
ষষ্ঠ বাৰ প্ৰদক্ষিণ কৰোঁ জানকীয়ে,
কৰা হিত আজি যজ্ঞে জানকীনাথৰ,
নমো হুতাশন নমোঃনমো যজ্ঞেশ্বৰ !

৭। জন্মে জন্মে হৌক মোৰ হৃদয় ঈশ্বৰ,
দশৰথাত্মজ ৰাম কাকুৎস্থ কুলৰ,
বুকে বান্ধি ৰামে হোমাগ্নিত জাঁপ দিওঁ,
যজ্ঞেশ্বৰ পাদ পদ্মে পুনৰ নমিলোঁ,
নমো হুতাশন নমো, নমো যজ্ঞেশ্বৰ,
নমো কৈলাশৰ নাথ, শ্মশান ঈশ্বৰ ।

(জাঁপ মাৰিবৰ উপক্ৰম, গান গাই গাই হঠাৎ বাল্মীকিৰ প্ৰবেশ।)

বাল্মীকিৰ গীত।

টেঙ্গৰ হৰিৰ অদ্ভুত খেলা,
এই বেলা আহি চাই যোৱাঁ।
(এই মায়া) যেয়ে বুজে সেয়ে মজে,
সেয়ে ভজে এই ৰঙা পা॥
হৰিৰ প্ৰেমৰ ছাঁয়াৰ ছাঁয়া যেয়ে দেখা পায় ;
কোটি স্বৰ্গ চতুৰ্ব্বৰ্গ সিজনে নাচাই ;
প্ৰেমৰ হৰিৰ প্ৰেম বিচাৰি,
হয় সেয়ে প্ৰেম যোগিনী যোগী,
প্ৰেমৰ ভিক্ষাৰী হই সিজনে,
প্ৰেমৰ সাগৰত ধোৱে গা॥

বাল্মীকি—(সীতাক আগ ভেটি ধৰি) জানকী! জানকী!! জানকী!!! কি সৰ্ব্বনাশ কৰিবলৈ ধৰিছা ? সুস্থ হোৱাঁচোন। হৈছে কি ?

জানকী—প্ৰভু? আপোনাৰ চিৰ দাসীয়ে আজি এই চিন্তাগিত প্ৰাণ সমৰ্পন কৰিব।

লৱ—প্ৰভু! আমাৰ আই মৰিবলৈ ধৰিছে, আমিও লগতে ওলাইছোঁ।

কুশ—আমি পিতাক মাৰিলোঁ প্ৰভু! সেই বাবে আই মৰিবলৈ ধৰিছে।

বাল্মীকি—মা জানকী! ক্ষান্ত হোৱাঁ। মৰিবৰ কোনো আৱশ্যক নাই। মই বুঢ়া বামুণ মৰি থকা নাই। তোমাৰ স্বামীকে আদি

কৰি সকলো জীব, ভয় নাই। প্ৰভু যাৰ যে জগতৰ ঈশ্বৰ, তেওঁৰ আক কিহৰ মৃত্যু! মই এতিয়াই তপোবনৰ পৰা মৃতসঞ্জীৱনী আনি সকলোৰে প্ৰাণ দিম হি। ৰবাঁ মই আহোঁ।

(বাল্মীকি মৃতসঞ্জীৱনী আনিবলৈ যায় আৰু ইত্যৱসৰে জানকীৰ আৰু লগে লগে লব কুশৰ আঁৰলৈ প্ৰস্থান। ক্ষন্তেকতে বল্মীকি পুনৰ আহি মৃতসঞ্জীৱনী জল চেতিয়াই সকলোকে পুনৰ্জীবিত কৰে।)

সৈন্যদল—আজি ভাল সাৰিল। কলৈ পলাল? লৰা হাল ক'লৈ গ'ল?

বাল্মীকি—হেঁপাহ্ পলোৱা নাই নে? মনেমনে থাক।

(ৰাম, লক্ষ্মণ, ভৰত, শত্ৰুঘ্ন চাৰিওৰো মুনিৰ চৰণত প্ৰণিপাত।)

বাল্মীকি—কল্যানমস্তু। সেইটো আপোনাসকলৰ যজ্ঞাশ্ব লৈ যাওক।

ষষ্ঠ অঙ্ক।

প্ৰথম গৰ্ভাঙ্ক।

দৃশ্য—অশ্বমেধ যজ্ঞ।

বিবিধ নৃত্য গীত আৰু হোমাদি ক্ৰিয়া।

সশিষ্যে বাল্মীকিৰ প্ৰবেশ।

বাল্মীকি—বোপা লব কুশ! আজি তোমালোকে যজ্ঞৰ সকলো ঠাইতে ৰামায়ণ গান কৰি ফুৰিব লাগিব।

লব—প্ৰভুৰ যেনে আদেশ।

বাল্মীকি—আজি কিন্তু তপোবনত গোবাৰ দৰে গালেই নহব। আজিৰ সভাত বিবিধ ৰজা প্ৰজা গন্ধৰ্ব্ব কিন্নৰ ঋষি মুনি আদি উপস্থিত। বৰ সাৱধানে গান কৰিবা। মই পূৰ্ব্বতে বহু সংখ্যক শ্লোকাত্মক ৰামায়ণৰ পৰা যিবিলাক সৰ্গ বাছি দিছিলোঁ, আজি তাৰে কুৰি সৰ্গ গাবা।

লব—ভাল প্ৰভু! আমাক কেৱল প্ৰভুৰ হে আশীৰ্ব্বাদ লাগে।

দ্বিতীয় গৰ্ভাঙ্ক।

বাম পাৰ্শ্বে স্বৰ্ণ সীতা, আৰু নৰ্ত্তক নৰ্ত্তকীৰে পৰিবেষ্টিত শ্ৰীৰামচন্দ্ৰ উপবিষ্ট।

লৱকুশৰ প্ৰৱেশ।

ৰাম—তোমালোক কোন?

লব—আমি মহামুনি বাল্মীকিৰ শিষ্য।

ৰাম—ইয়ালৈ কিয় আহিলা?

লব—(অলপ লাজ পোৱা যেন হৈ কুশৰ কালে চাই) মহাৰাজৰ সভাত ৰামায়ণ গান কৰিবলৈ প্ৰভুৰ আদেশ হৈছে।

ৰাম—সুন্দৰ কথা। বাৰু, নৰ্ত্তক নৰ্ত্তকীসকল ৰহঁা। এওঁলোকৰ ৰামায়ণ গান শুনো। বোপা! তোমালোকে গোৱাঁ!

লৱ কুশৰ গীতাৰম্ভ।

প্ৰথমে গুৰু বন্দনা।

১। বন্দে শ্ৰী গুৰুদেৱ মুনি মহাতপা বাল্মীকি পদ দ্বন্দং।
যৎপদ পঙ্কজ ৰজ হৰতি নৰাণাং ভয়মাপদ ঘোৰং॥
তৎপদ পঙ্কজ ৰজ ধন দেহিমে দানং ভিক্ষামেৱ দীনজনং।

নমো পরম ব্রহ্ম রাম রাজীব লোচনং ॥

২। কাকুৎস্থ কমলানাথ কৌশল্যা নন্দনং।
কঞ্জ নেত্র, কপি মিত্র, কোদণ্ড ভঞ্জনং ॥
খড়গ হস্ত, খর ধ্বংশী, খল বল নাশনং।
গণ পাল, গণ ত্রাতা, গব্যানন্দ সাধনং ॥
গুণাকর গুণানন্দ গুরু যজ্ঞ পালনং।
ঘনানন্দ, ঘনশ্যাম, ঘণবারি বারণং ॥

৩। দূর্ব্বাদল শ্যাম রাম জগধাম,
রঘুকুল ধুরন্ধর অনুপম।
পিতৃ আজ্ঞা পালি, হলা বনবাসী,
তোষিলা বিমাতা কৈকেয়ীর মন ॥
পঞ্চবটীবন করিলা আশ্রম,
হরবালা সীতা, করিলাহাঁ রণ,
করিলা বহুত রাক্ষস নিধন,
খর দূষণর বধিলা পরাণ ॥

৪। প্রভু রাম পরিলা বিষম ফান্দে।
অতি মায়াবিনী রাবণ ভগিণী,
মায়াজাল বিস্তারিলোহে।
মহা অপমানে, মনর বিচাতে,
খরক গৈয়া জনালে।
মহা অহঙ্কারী, সজ্জনর অরি,
সাজিলা রণর সাজে।
ঘোর অবন্যত খর দূষণক

বধিলা আনন্দ মনে ;
শুনি দশগ্ৰীৱে, সীতাক হৰিবে,
মাৰীচে যুক্তি কৰিলে।
মায়া মৃগ খেদি গৈলা ৰঘুপতি,
লক্ষ্মণো চলিলা পাছে।
এহি অৱসৰে দুৰ্জ্জন ৰাক্ষসে
জানকীক হৰি নিলে।
৫। গহন কাননে জানকী ৰতনে,
হৰুৱালা ৰঘুপতি ;
বালি বধ কৰি, সুগ্ৰীৱেৰে সখি
কৰিলাহাঁ মহামতি।
বান্ধিলা সমুদ্ৰ, বধিলা ৰাক্ষস,
জানকী উদ্ধাৰ কৰিলা ৰাঘৱ,
জয় ধ্বনি কৰি, সভাৰ্য্যে শ্ৰীহৰি,
পালাহি অযোধ্যা নগৰী।

ৰাম—(লৱ কুশক কোলাতি লৈ) ধন্য তোমালোকৰ শিক্ষা। তোমালোকৰ গানে আজি মোক সমূলি মোহিত কৰিলে। তোমালোকৰ গাত সম্পূৰ্ণৰূপে ৰাজলক্ষ্মী বিৰাজ কৰিছে। তোমালোক নিশ্চয় কোনো ৰাজপুত্ৰ। মোক আৰু ব্যাকুল নকৰিবা। এয়ে যথেষ্ট হৈছে, এতিয়া নিজ নিজ পৰিচয় দি তাপিত দেহ শান্ত কৰা।

লক্ষ্মণ—ককাইদেউ! এওঁলোক যে অযোধ্যাৰ মহালক্ষ্মীৰ সন্তান তাত আৰু বিন্দু মাত্ৰও সন্দেহ নাই। হায় যাৰ গৰ্ভত

এনে হেন সুপুত্র জন্ম হয়, এনে মহাসতীয়েও বনবাসৰ কষ্ট সহিব লগাত পৰে!

ভদ্র—মহাৰাজ! মহাৰাণী নিষ্পাপা। দেখক মহাৰাণীৰ মনত কষ্ট দি অযোধ্যা পুৰি এবাৰলৈ ৰসাতলগামী হল। কাকুৎস্থ বংশ এবাৰলৈ সমূলে ধ্বংশ হল। পুনৰ সেই লক্ষ্মী দেবীৰ কৃপাতেই আজি এই বজ্ৰ চকুৰে দেখিবলৈ পাইছোঁ। আমাৰ মনৰে মহাৰাণীক আৰু বনবাসৰ কষ্ট দিয়া উচিত নহয়।

ৰাম—তোমালোকৰ কথা যুক্তিপূৰ্ণ সঁচা। বাৰু মহামুনি বাল্মীকিৰ ওচৰলৈ হনুমান অতি বিশ্বাসী দূত পঠাই দিয়াঁ। যদি মুনিৰ বিশ্বাস যে জানকী তপোবনত শুদ্ধাচাৰিণী হৈ আছে, তেন্তে মুনিৰে সৈতে আহি সকলো অযোধ্যাবাসীৰ চকুৰ আগত নিজৰ বিশুদ্ধি সপ্রমাণ কৰকহি।

লক্ষ্মণ—ভদ্র! তুমি অতি শীঘ্রে যোৱাঁ, হনুমান অতি বিশ্বাসী দূত মুনিৰ আশ্রমলৈ পঠাই দিয়াঁহঁক। পলম যেন নহয়।

ৰাম—লক্ষ্মণ! কালিলৈ জানকীৰ পৰীক্ষাৰ নিমিত্তে নগৰৰ মান্য, গণ্য, দুখীয়া, দৰিদ্র সকলো মানুহকে নিমন্ত্রণ কৰিবা।

তৃতীয় গর্ভাঙ্ক।

দৃশ্য—সভা।

লব কুশক কোলাত লৈ শ্ৰীৰামচন্দ্ৰৰ সিংহাসনত উপবেশন।

বাল্মীকি মুনি সহ জানকীৰ প্ৰবেশ।

লক্ষ্মণ—সৌৱা। মহালক্ষ্মী অহিল। (একে চাবেই ঠিয় হৈ) সৌৱা! আঃ! অযোধ্যাৰ লক্ষ্মীৰ শুভাগমনত মন আজি কেনে লাগিছে।

কুশ—(চাপৰি বজাই) ককাইদেউ! সৌৱা আমাৰ আই আহিল!

বাল্মীকি—মহাৰাজ! আপোনাৰ কথামতেই মই এই জানকীক লৈ আহিছোঁ। জানকী মহাসতী, সুব্ৰতা, আৰু ধৰ্ম্মনিষ্ঠা। লোকাপবাদৰ ভয়ত আপুনি এওঁক বনলৈ পঠাইছিল। এতিয়া সেই লোকাপবাদৰ ভয় নিবাৰণ কৰিবৰ মনেৰেই আজি জানকীৰ শুভাগমন। মই সত্য কৰি কৈছোঁ, এই দুৰ্দ্ধৰ্ষ যমক যুগল আপোনাৰেই পুত্ৰ। মই প্ৰচেতাৰ দশম পুত্ৰ; মিছা কথা কোৱা কাৰ্য্য মোৰ দ্বাৰা কেতিয়াও হব নোৱাৰে। মই বি: কওঁ তাত বিশ্বাস কৰিব। যদি জানকীৰ মনত কিবা দোষ আছে, মোৰ বহু সহস্ৰ বছৰৰ তপস্যা বৃথা হব। মই কোনো কালে কোনো পাপ কৰা নাই, যদি জনকীৰ গাত কিবা পাপ আছে, তেন্তে মোৰ পুণ্যৰাশি পাপৰূপে পৰিণত হব। তাৰ ওপৰেও মোৰ যোৱা ২১ পুৰুষ আৰু অহা ২১ পুৰুষ নৰকগামী হব।

জানকীয়ে নিজেও আজি তেওঁৰ প্ৰমাণ অযোধ্যাবাসীক দেখাব।

ৰাম—মহাভাগ! আপুনি ধৰ্ম্মবিৎ। আপোনাৰ পাপলেশশূন্য কথাত জানকীক শুদ্ধাচাৰিণী বুলি বিশ্বাস কৰিলোঁ। তথাপি জানকীয়ে নিজেও এবাৰ তেঁওৰ বিশুদ্ধিৰ প্ৰমাণ দি অযোধ্যাবাসীক সন্তুষ্ট কৰক।

গীত।

জানকী—

লাজৰ সাগৰে আজি বুৰিলোঁ সমূলি।
মান ৰাখা মাধবী কৰি বিবৰ মুকলি॥
কত দুখ কষ্ট সহি, বনত আছিলোঁ পৰি,
ৰাজ সমাজত আনি গুচালে ওৰণী।
বোপা তুমি নৰ, নাথ ৰাঘৱ,
লক্ষ্মণ ভৰত শত্ৰুঘ্ন, আজি মাগিলোঁ মেলানি॥

(পাগলিনী বেশে)

১। ৰাম বাজে যদি মই আনক নাজানো,
ৰামেই ধিয়ান যোগ, ৰামেই সকলো,
তেন্তে হে মাধবী দেবী হোৱাঁ সুপ্ৰসন্না,
শীঘ্ৰে তুমি জানকীক স্থান দান কৰাঁ।

২। ৰঘুনাথ বাজে মোৰ আন গুৰু নাই,
সপোনে সচেতে মনে আনক না চাই;
এই সত্য বলে দেবী হোৱাঁ সুপ্ৰসন্না,
বিবৰ মুকলি কৰি স্থান দান কৰাঁ।

PLEASE HANDLE THE BOOK CAREFULLY

৩। বুকে বান্ধি শ্রীরামৰ চৰণ দুখানি,
পাতালে প্ৰবেশ কৰোঁ, দেৱী বসুমতী।
জন্মে জন্মে হওঁ যেন শ্রীরামৰ পত্নী।

(বসুমতীৰ বিবৰ প্ৰদান আৰু হস্ত প্ৰসাৰণ, পুষ্পবৃষ্টি,
জানকীৰ পাতাল প্ৰবেশ।)

ৰাম—(লৱ কুশক কোলাৰ পৰা নমাই, সিংহাসনৰ পৰা জঁপ মাৰি)
কি হল! কিহল!! কিহল!!! কি আচৰিত! বিধি!!
(অচেতন)

(হুলস্থুল)

যবনিকা পতন।

DISTRICT LIBRARY
(HEM BARUA COLLECTION)
TEZPUR.